চান্দমামা

অকট'বাৰ ১৯৮৬

“অলপ সময় লৈ ভাবি-চিন্তি আজি তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!”

-ফেভিফেইৰী



লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
এজনা ভাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বজ্ৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

গোলাপ ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

গোলাপ ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

নাম: ____________________

বয়স: ____________________

ঠিকনা: ____________________

____

চহৰ: ____________________

ৰাজ্য: ____________ পিন: ____________

তোমাৰ মাহেকীয়া জার্নেল ফেভিক্ৰাফট পালানে? হয়/নহয়

ফেভিকল এম-আৰ

চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!

OBM-7954 ASM

® দুয়ো আৰু ফেভিকল বাও হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

দিনটো আৰম্ভ হওক সুখত সজীৱ আমেজ লৈ মুখত!
ৰামেন্ট আৰু
য়াৰামেন্টৰ সতেজ সজীৱ
মেজ। বঢ়িয়া ফৰ্মূলাৰ
মুখতে বিয়পি পৰা ফেনেৰে
চিৰ্কচিকীয়াকৈ
ৰিস্কাৰ কৰে, নিশ্বাসত
ন্ধ সুগন্ধ।
ন পণ্ডচ টুথপেষ্টৰে দাঁত
হিবলৈ অকণো আমনি
লাগে, বৰং ভালহে লাগে।
চাব, সৰু সৰু ল'ৰা-
ছোৱালীয়ে এই টুথপেষ্টৰে
দাঁত ঘঁহিবলৈ বৰ ভাল পাব।
আজিয়েই নতুন পণ্ডচ
টুথপেষ্ট কিনক।
আপোনাৰ জীৱনৰ
প্ৰতিটো পুৱা হৈ
উঠক সুন্দৰ,
সাৰ্থক।
Pond's
TOOTHPASTE
বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে।
শক্তিশালী ফেনত ...
... বৰ সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা
খোৱাবস্তুৰ টুকুৰা চাফা কৰি দি দাঁত সুস্থ
আৰু চিকমিকীয়া কৰি তোলে
নতুন
পণ্ডচ
টুথপেষ্ট
সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস


খেল, খেলনা, কমিক্স ৰেডিং
ৰবিক লাগে আৰু ইন্টাৰেষ্টিং
নিজেই ভাবিব, নিজেই আঁকিব
দিনৰ দিনটো মজাৰে কাটিব!
এক' স্কেচ পেন হাতত ললে
ঘৰ সাজিলে, জাহাজ আঁকিলে
দেউতাকৰ বৰ বৰ দাড়ি, এজন চিকাৰী
এটি ভাটো, আৰু কতযে কি!
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'ৰে লবা।
EKCO
এক'
স্কেচ পেন —ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যন ৰাইটিং পইণ্টছ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোড, ভিলে পাৰ্লে (পূব), বোম্বাই-৪০০ ০৫৭.

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।

আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘহোঁতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰমূলাই এনেদৰে ক্ৰিয়া কৰে:

নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।

ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিচত ক'লগেটেৰে দাঁত ঘহে সেইবিষয়ে নিশ্চিন্ত হওক।
নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।

84-55 Asm

আপুনি মুগ্ধ হ'ব
এই মিন্টি সোৱাদত!

চান্দমামা

সংস্থাপক :
চক্ৰপাণি

সঞ্চালক :
বি নাগিৰেড্ডি

চান্দমামাৰ 'ফটো-নামকৰণ প্ৰতিযোগিতা'লৈ যোগদানকাৰী প্ৰতিযোগীসকলৰ মাজত এক বুজন সংখ্যক প্ৰতিযোগীয়ে 'কোন সংখ্যাৰ বাবে' প্ৰতিযোগিতা সেই কথা নিলিখা হয়, আৰু তাৰ ফলত আনকি কেতিয়াবা পুৰস্কাৰ পোৱাৰ অৰ্হতা থকা নামকৰণো বাতিল হৈ যায়। সেয়েহে প্ৰতিযোগীসকললৈ অনুৰোধ জনোৱা হৈছে যে, তেওঁলোকে যেন এই-ফালে বিশেষ দৃষ্টি দিয়ে। ঠিকনা, পিন ক'ড নাম্বাৰ ইত্যাদিও অতি স্পষ্টকৈ লিখে যেন। আন্তৰিকতা আৰু শুভেচ্ছাৰে।

অমৰ-বাণী

যো ধ্ৰুবানি পৰিত্যাজ্য অধ্ৰুবানি নিষেৱতে।
ধ্ৰুবানি তস্য নশ্যন্তি অধ্ৰুবম্ নষ্টমেবচ॥

[যি বস্তু পোৱাৰ যথেষ্ট সম্ভাৱনা আছে, আকৌ সেই বস্তু নোপোৱাৰ সম্ভাৱনাও নথকা নহয়, তাৰ বাবে চেষ্টা কৰি যি বস্তু সুনিশ্চিতভাৱে পোৱা যাব তালৈ আওহেলা প্ৰদৰ্শনকাৰীয়ে শেহান্তৰত যে এই দুয়োটাকে হেৰুৱায় এই কথা ধ্ৰুৱ।]

বছৰ : ১১ অক্ট'বাৰ ১৯৮৬ সংখ্যা : ৭

খনে : ২'৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

CHANDAMAMA PUBLICATION

"Hey Sweeties, look what's new from NP"

Jelly belly and Yogo

A SOFTY AT HEART — CHEWY ALL THE WAY

In fruity flavours you've never tasted before

Pop in a Yogo. Chew a creamy dream. Just one toffee. But what a juicy mouthful.

Pop in a Jelly Belly. Rock'n roll around the hard coating. Bite it..... Crunch. The soft centre wins your heart - tang!

Get ready for more. Because you'll never lose your taste... long after they mmmelt.

NP CONFECTIONERY LTD.
135, Kaval Byrasandra, Bangalore 560 032.

Dattaram/NP/3A-86

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক — আৰু যেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্থান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 99 2016 AS

পাৰিজাত

প্ৰাচীনকালত তৃণবিন্দু নামৰ এগৰাকী ঋষিয়ে বহুকাল ধৰি তপস্যা কৰিছিল। তেওঁৰ কঠোৰ তপস্যাৰ ফলত ইন্দ্ৰ উদ্বিগ্ন হৈ উঠিল। তৃণবিন্দুৰ তপস্যা ভংগ কৰিবলৈ ইন্দ্ৰই হৰিণী নামৰ অপ্সৰীক তালৈ পঠালে।

হৰিণী তৃনবিন্দুৰ ওচৰলৈ গ'ল আৰু গীত গাই নাচি-বাগি ইন্দ্ৰৰ নিৰ্দেশ পালন কৰিবলৈ ধৰিলে। হৰিণীৰ নৃত্যগীতৰ উদ্দেশ্য অনুধাৱন কৰি তৃনবিন্দুৰ উগ্ৰ-খং উঠিল আৰু ক'লে, "তুমি তুচ্ছ মানুহৰ দৰে মোৰ ওচৰলৈ আহিছ। অহা জনমত মানুহ ৰূপেই জন্ম গ্ৰহণ কৰিবা।"

হৰিণীয়ে এই অভিশাপ প্ৰত্যাহাৰ কৰিবলৈ তৃণবিন্দুক কাবৌ-কাকুতি কৰিলে। তেতিয়া তৃণবিন্দুৱে কোমল কাটি ক'লে, "তোমাৰ ডিঙিত পাৰিজাত হাৰ পিন্ধাৰ লগে লগে তুমি শাপমুক্ত হ'বা।"

তৃণবিন্দুৰ অভিশাপৰ ফলত অপ্সৰী হৰিণী ভোজৰাজৰ কন্যাৰূপে জনম ল'লে। এই জনমত তাইৰ নাম হ'ল ইন্দুমতী। ডাঙৰ হৈ ইন্দুমতীয়ে অযোধ্যাৰ অজুনক স্বয়ম্বৰ সভাত পতিৰূপে বৰণ কৰিলে।

বিবাহৰ পাছত এদিন উদ্যানত ফুৰি থাকোঁতে মেঘৰপৰা এধাৰ ফুলৰ মালা নামি আহিবলৈ ধৰিলে, এই মালাধাৰ আছিল নাৰদৰ বীণৰ মালা।

এই মালাধাৰ নামি আহি পোনে পোনেই ইন্দুমতীৰ ডিঙিত পৰিল আৰু লগে লগে ইন্দুমতী অচেতন হৈ পৰিল। তেতিয়াই ইন্দুমতীয়ে মানৱীদেহ পৰিত্যাগ কৰি দেৱলোকলৈ গুচি গ'ল। এই মালাধাৰেই আছিল সেই বিখ্যাত পাৰিজাত হাৰ।

ঘিণালে বিনাবা

পাৰ্বতীয়ে ভিক্ষা মাগি খায় ঘৰে ঘৰে। আৰু এদিন এই ভিখাৰিণী পাৰ্বতীয়ে বাটৰপৰা বুটলি আনিলে ছবছৰীয়া ল'ৰা এটিক, তাৰ ক'তো কেও নাই হেনো। ল'ৰাটোৰ নাম অনন্ত। লিখা-পঢ়ালৈ তাৰ ৰাপ থকা দেখি পাৰ্বতীয়ে তাক পঢ়াশালিত নাম লগাই দিলে।

এইদৰে, পাৰ্বতীয়ে ভিক্ষা খুজি খুজি পইচা-পাতি গোটাই বাটৰপৰা বোটলা অনন্তক তাৰ বিছ বছৰ বয়সলৈকে পঢ়ালে।

আৰু তাৰ পাছত এদিন পাৰ্বতীয়ে বাছি-বিচাৰি উলিউৱা অমলাৰ লগত অনন্তৰ ৰাহিযোৰা মিলিল, বিয়া হৈ গ'ল।

বিয়াৰ পাছতহে অমলাই জানিলে যে পাৰ্বতী কোন আৰু কি ? এজনী ভিখাৰিণীৰ পালিত পুত্ৰক বিয়া কৰোৱাৰ বাবে অমলাৰ মনত ঘৃণাৰ সৃষ্টি হ'ল। লাজ-সংকোচেৰে তাই কোঁচ খাই পাৰিল। অনন্ত ঘৰত নথকা সময়ত অমলাই বুঢ়ী পাৰ্বতীক পালি পালি কৰি শিকাইছিল ; কিন্তু অমলাই বা পাৰ্বতীয়েও এইবোৰ কথা অনন্তক কেতিয়াও কোৱা নাছিল।

কিছু দিনৰ পাছত পাৰ্বতী অসুস্থ হৈ পৰিল। অনন্তই ভালৰো ভাল চিকিৎসকৰ দ্বাৰা পাৰ্বতীৰ চিকিৎসা কৰাবলৈ ধৰিলে। কিন্তু এই কথাত অমলাই বেয়া পালে। এজনী ভিখাৰিণীৰ কাৰণে ইমান খৰচৰ কোনো যুক্তি নাই বুলি অমলাই ভাবিলে।

এদিন অমলাই অনন্তক ক'লে, "পূজালৈ আৰু মাত্ৰ এমাহমানহে আছেগৈ। মোক কিন্তু এইবাৰ পাটৰ শাড়ী দিবই লাগিব, কোনো ওজৰ-আপত্তি নুশুনো মই।

গুণধৰ গগৈ

অনন্তই ক'লে, "পূজাত — নহ'ব কিজানি। পূজাৰ কেইমাহমানৰ পাছত দিম। দেখিছাই নহয়—আইতাৰ অসুখ।"

কিন্তু এই কথা শুনি অমলাই তিহ-তিহাই উঠি ক'লে, "সেই বুঢ়ী মাগনীৰ কাৰণে ধানমানো বুদ্ধি-বিবেচনা থকাই ইমান ধেঁৰাখুলীয়াৰ দৰে খৰচ নকৰে।"

অনন্তৰ উগ্ৰ খং উঠিল আৰু সি ক'লে, "শুনা, মোৰ আইতাক তুমি মাগনী বুলি নক'বা কৈছোঁ। তোমাৰ মন যে কয়লাতকৈয়ো ক'লা, মই ভবাই নাছিলোঁ। পত্নীক আনন্দ দান কৰাটো স্বামীৰ কৰ্তব্য, ময়ো জানো। কিন্তু যিগৰাকী বৃদ্ধাই কঠোৰ পৰিশ্ৰম কৰি বাটৰপৰা বোটলা মাউৰা ল'ৰা এটাক তুলি-তালি ডাঙৰ-দীঘল কৰিলে, পঢ়া-লিখা শিকালে, প্ৰতি কৰ্তব্য নাইনে?"

এই কথাৰ ফল হ'ল—পাছদিনা টোপনিৰপৰা সাৰ নৌ পাওঁতেই, অমলাই তাইৰ মাকৰ ঘৰলৈ গুচি গ'ল।

নকৈ-নেমেলি খবৰ নিদিয়াকৈয়েই এনেকৈ ৰাতিও পুৱাল অমলাও গুলাল—দেখি—অমলাৰ দেউতাকে অমলাক সুধিলে, "তই—ইমান চলপুৱাতে ওলালিহি যে?—অনন্ত অহা নাইনে কি—?"

অমলাই তাইৰ দেউতাকক সকলো কথা ভাঙি-পাতি কোৱাৰ অন্তত ক'লে, "সেই মাগনী বুঢ়ী তাৰ ওচৰত মোতোকৈ



ডাঙৰ হ'ল। তুমিয়েই কোৱা, দেউতা মইনো তাত কেনেকৈ থাকোঁ? অসহনি হোৱাত তাৰপৰা গুচি আহিলোঁ।"

অমলাৰ দেউতাকে অলপ পৰলৈ মনে মনে থাকি তাৰ পাছত ক'লে, "আহিছ— ভালেই কৰিছ। অনন্তই যিদিনা নিজৰ ভুল বুজি পাব, তোক লৈ যাবহি।"

দেউতাকৰ কথাত অমলাই বৰ ভাল পালে। তাইৰ ককায়েক অনিন্দ্যো তাতে থিয় হৈ আছিল, যদিও একো মন্তব্য নকৰাকৈয়েই অনিন্দ্য গুচি গ'ল।

অলপ পাছত কামলৈ ওলাওঁতে অমলাৰ দেউতাকে অমলাক ক'লে, "যি হ'ল— হ'ল। তই গোমোঠা মাৰি নাথাকিবি। মই ওলাওঁ এতিয়া, কামৰপৰা আজি সোনকালে ঘৰলৈ উভতি আহিম।"

কিন্তু ৰাতি ভালেখিনিমান হোৱা সত্বেও তাইৰ দেউতাক কৰ্মস্থলৰপৰা উভতি নাহিল। অমলাই তাইৰ দেউতাকৰ সহকৰ্মী এজনৰ ঘৰলৈ গৈ সুধিলে, "খুড়া, আমাৰ দেউতা এতিয়ালৈকো ঘৰলৈ উভতি নাহিল কিয়?"

"কথাটো—" সহকৰ্মীজনে কওঁ-নকওঁকৈ ক'লে, "শুনি তুমি বেয়া পাবা, তথাপি তোমাক তো নক'লেও নহ'ব। তোমাৰ দেউতাৰাক ঘোচ খোৱাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে। চাকৰি তো নোহোৱা হ'বই, আৰু যে কি হ'ব-





নহ'ব কোনে ক'ব।" সহকৰ্মীজনে ক'লে, "আনকি ফাটেকো যে নাখাব তাৰ মানে নাই। যাক বোলে একেবাৰে হাতে-লোতৰে ধৰা হ'ল তেওঁক।"

কথাখিনি শুনি অমলাৰ বুকুৰ টিপ-টিপনি আৰম্ভ হ'ল। তাই কঁপিবলৈ ধৰিলে। তাই ভাবিলেঃ ৰাম ৰাম! ছিঃ! এয়ানো কি কৰিলে দেউতাই!

এইবোৰ কথা ভাবি ভাবি তাই ঘৰ পায়েই তাইৰ দেউতাকক ঘৰৰপৰা ওলাই যোৱা দেখা পাই সুধিলে, "দেউতা, অ'— দেউতা, ক'লৈ যাবলৈ ওলাইছানো?"

"এই সমাজত মই আৰু মুখ উলিয়াব নোৱাৰিম, আই। মোক বাধা নিদিবি। যেনিয়ে চকু যায়—মই তালৈকে গুচি যাম।" দেউতাকে অমলাক ক'লে।

অমলাই কান্দি কান্দি ক'লে, "নাযাবা, দেউতা, নাযাবা। ঘৰলৈ ব'লা।"

"নহয়, আই, মইনো কেনেকৈ কি কৰিম? চাকৰিটোও নাই। চলি থাকিমনো কেনেকৈ?" ৰুদ্ধ কণ্ঠেৰে অমলাৰ দেউতাকে ক'লে।

"চাকৰি কৰিব নালাগে। ককাইদেউ আছেই নহয়?" অমলাই ক'লে।

আৰু ঠিক তেতিয়াই অমলাৰ ককাইদেউ অনিন্দ্য ঘৰত সোমালহি। সি ক'লে, "দায়িত্ব আৰু কৰ্তব্যৰ কথা পাছে-পৰেও হ'ব। আগতে এটা কথা কোৱাচোন অমলা—ঘোচ খোৱাৰ অপৰাধত চাকৰি হেৰুউৱাত দেউতাৰ প্ৰতি তোমাৰ মনত ঘৃণা হোৱা নাইনে?"

"কিয় ঘৃণা কৰিম? ঘৃণা কৰাৰ প্ৰশ্নই নুঠে। মই ঈশ্বৰৰ নামত শপত খাই কৈছোঁ—দেউতাক মই আগৰ দৰেই শ্ৰদ্ধা কৰি আছোঁ।" অমলাই ক'লে।

অনিন্দ্যই হোহোৱাই হাঁহি উঠি ক'লে, "ঘোচ খোৱাৰ দৰে অতি হীন কাম কৰা সত্বেও দেউতাৰ প্ৰতি তোমাৰ শ্ৰদ্ধা অটুট-অভগন, ঘৃণা হোৱা নাই।

কিন্তু যিগৰাকী বৃদ্ধাই ভিক্ষা কৰি এটি মাতৃ-পিতৃহীন তথা সহায়-সম্বলহীন ল'ৰাক লালন-পালন কৰিলে, আৰু লিখা-পঢ়া কৰোৱালে—সেই বৃদ্ধাক তুমি অলপো শ্ৰদ্ধা নকৰা হৈছা ; তেওঁক ঘৃণাহে কৰিছা ! আৰু ঘোচখোৰ পিতৃৰ প্ৰতি পুত্ৰৰ কৰ্তব্যৰ কথা কৈছা ! বোলোঁ—হয়নে ?"

"নিশ্চয় !" অমলাই দৃঢ়তাৰে ক'লে।

"বৰ ভাল কথা। ময়ো মানি লৈছোঁ। এতিয়া মোৰ প্ৰশ্ন হ'ল—তেনেহ'লে—যিগৰাকী বৃদ্ধাই বাটৰপৰা বুটলি অনা থান-থিত নোহোৱা কেও-কিছু নথকা ল'ৰা এটাক মানুহ কৰি গঢ়ি তুলিলে—সেই ল'ৰাটোৰ কিবা ধৰণৰ দায়িত্ব বা কৰ্তব্য নাইনে বৃদ্ধাৰ প্ৰতি ? সেই বৃদ্ধাক ঘৃণা কৰাটোৱেই তোমাৰ ধৰ্ম হ'লনে ?" অমলাৰ ককায়েক অনিন্দ্যই ভনীয়েক অমলাক ক'লে।

অমলাৰ মুখৰ মাত হৰিল। অলপ পৰলৈ তলমূৰ হৈ থকাৰ পাছত তাই ক'লে, "ককাইদেউ, তুমি মোৰ চকু মুকলি কৰিলা। কালিলৈ মই মোৰ ঘৰলৈ উভতি যাম। দেউতাৰ চাকৰি নাথাকে যদি নাথাকক, কোনো শাস্তি নহ'লেই হ'ল। দেউতাৰ কাৰণে মই চিন্তাত থাকিম। তুমি মোক সদায় খবৰ দি থাকিবা কিন্তু।"

অমলাৰ কথা শুনি অমলাৰ দেউতাকে মিঠাকৈ হাঁহি মাৰি ক'লে, "তেনেহ'লে কওঁ শুনা—মই ঘোচ-ঘাচলি একো লোৱাও নাই খোৱাও নাই ; এতেকে—মোৰ চাকৰি হেৰুউৱাৰ প্ৰশ্নো নাই। তোমাৰ জ্ঞানোদয়ৰ কাৰণেহে মই, মোৰ সহকৰ্মী ৰামদাস আৰু অনিন্দ্যই মিলি এই সৰু নাটকখনৰ আখৰা পাতিছিলোঁ।"

বিস্মিত অমলাই তাই দেউতাকৰ বুকুত মূৰ গুজি উচুপি থাকিল। এয়া আছিল আনন্দৰ উচুপনি।

শনিৰ শান্তিয়নী

কোনোবা এজন গৃহস্থৰ নাম আছিল ববলা। কিবা এটা কামত চুবুৰীয়া গাঁৱলৈ গৈ, সিদিনাই গধূলিপৰতে ববলাই পুনৰ ঘৰলৈ বুলি খোজ ল'লে। দুয়োখন গাঁৱৰ মাজত থকা হাবিৰ মাজেদি আহিলে বাট চমু হয়। ববলায়ো সেইদেখি চমুৱাবলৈ সেই বাটকে ল'লে।

হঠাৎ ববলাই দেখা পালে যে এটা মানুহে হাতত টোপোলা এটা লৈ ববলাক দেখিয়েই খৰকৈ আগুৱাই গৈ গছ এজোপাৰ আঁৰত লুকাই পৰিল।

মানুহটো যে এটা চোৰ, আৰু টোপোলাটোৰ ভিতৰত যে ধন-সোণ আছে—সেই কথাত ববলাৰ সন্দেহ নাথাকিল। সি সেই গছজোপাৰ পিনে আগুৱাবলৈ ধৰোঁতেই তাৰ গাঁৱৰ ধানুৰামৰ সৈতে ভেটাভেটি। তাক তাত দেখা পাই ববলাৰ বিষম খং উঠিল। ধানুৰাম ববলাৰ পিনে আহি থাকোঁতেই আন এটা মানুহে পোনে পোনেই সেই গছজোপাৰ ওচৰলৈ গৈ সেই টোপোলাটো খোৰোঙৰ-পৰা উলিয়াই আনিলে আৰু গুচি যাবলৈ ধৰিলে। মানুহটোক চৰিয়াই গাল দোণ যেন কৰাৰ মন গ'ল ববলাৰ, কিন্তু মন গ'লে কি হ'ব—মানুহজনে ছন কৰি বন পাৰ হৈ বহু দূৰলৈ গুচি যোৱা দেখি হুমুনিয়াহ কাঢ়ি ববলাই ক'লে, "দেখিলানে ধানুৰাম, সেই বেটা চোৰটোৱে ধন-সোণৰ টোপোলাটো গছৰ খোৰোঙত থৈ যোৱা মই নিজ চকুৰে দেখিছিলোঁ। খোৰোঙৰ-পৰা টোপোলাটো ময়েই লৈ যাম বুলি ভাবি থাকোঁতেই সাইখাত শনিপাটৰ

কালিদাস কলিতা

দৰে তুমি ওলালাহি ইয়াত!"

এই কথা শুনি ধানুৰামে ধিকাৰ-বিকাৰ চিন্তি ক'লে, "সেই খোৰোঙৰ ভিতৰত চোৰে টোপোলাটো থৈ দিওঁতে ময়ো বৰ বেছি আঁতৰ হৈ নাছিলোঁ। টোপোলাটো নিবলৈ আগ বাঢ়োঁতেই মোকো শনিয়ে পালে, তুমিও ক'ৰবাৰপৰা ভুচুংকৈ ওলালাহি। এতিয়া—মই হ'লোঁ তোমাৰ শনি, তুমি হ'লা মোৰ, আৰু গুচি গ'ল চোৰ।"

আৰু ঠিক তেতিয়াই দুজন প্ৰহৰীয়ে এটা মানুহক কটকটীয়াকৈ বান্ধি ঠেলি ঠেলি ক'ৰবালৈ লৈ যাব ধৰিছিল। এইবাৰ ববলা আৰু ধানুৰামেও লক্ষ্য কৰিলে যে এই মানুহটোৱেই সেই টোপোলাটো লৈ যোৱা মানুহটো।

ববলাই যুবুজাৰ ভাও জুৰি প্ৰহৰী দুজনক সুধিলে, "কি হ'ল কোৱাচোন? ইয়াক বান্ধিছা কিয়? ই কি কৰিলে?"

"ই হ'ল দগধা চোৰ। কালি ৰাতি জমিদাৰৰ ঘৰৰপৰা সোণৰ আ-অলংকাৰ আৰু টকা চুৰ কৰি পলাইছিল। এতিয়া আমাৰ হাতত ধৰা পৰিল। কিন্তু সি চোৰে আসে মাতিছে, সি চোৰ নহয় বুলি কৈছে; অথচ তাক যাক বোলে হাতে-লোতে ধৰা হ'ল!"

ধানুৰামে কিবা ক'বলৈ ধৰোঁতেই মানুহটোৱে কৈ উঠিল, "চাওক, মোৰ

কথা আপোনালোকে বিশ্বাস কৰক, মই হামলিম কৰা নাই, মই ইয়াত মৌ বুটলিবলৈ সোমাইছিলোঁহি, তেতিয়া এটা মানুহে গছৰ খোৰোঙত এই টোপোলাটো থৈ দিয়া দেখা পাইছিলোঁ। সেই মানুহটো যেতিয়া গুচি গ'ল, মই লোভত পৰি···"

এজন প্ৰহৰীয়ে ডাবিৰ মাৰি ক'লে, "চোপ্! একদম কন্দা-কটা নকৰিবি। কৰিছ যদি মৰিছ, ভুকুৱাই তোৰ দাঁতে-আলুৰে এক কৰি দিম। আজি গধূলিৰ আগতেই যদি সিটো চোৰৰ নাম নক'ৰ, তোক কোবাই মাৰি পেলোৱা হ'ব।"

"জীয়ন্তে পুতি পেলোৱা হ'ব।" সিজনে প্ৰহৰীয়ে ক'লে, "পোন আঙুলিৰে যে ঘিঁউ নোলাব, তোক যে পোতা-মোচৰা দিব লাগিব, সেই কথা ধুকুপেই।" এই বুলি কৈ, সিহঁত দুটাই তাক তাৰপৰা লৈ গুচি গ'ল।

সিহঁত গুচি যোৱাৰ পাছত ববলাই ধানুৰামক ক'লে, "হেৰাহে ধানুৰাম, তুমি দেখোন মোৰ ভাগ্যদেৱতা!"

ধানুৰামেও ক'লে, "কেই মুহূৰ্তমান আগতেও আমি দুয়ো দুয়োকো শনি বুলি কৈছিলোঁ। এইবাৰলৈ আমি বড্ড সাৰণে সাৰিলোঁ। শনি-দেৱতায়ো মাজে-মধ্যমে লোকৰ ভাল নকৰা নহয় দেখিছোঁ। সেইটো টোপোলাৰে সৈতে আজি আমি প্ৰহৰীহঁতৰ হাতত পৰাহেঁতেন আমাৰ দফা ৰফা হ'লহেঁতেন।"

"শনি-দেৱতাই ভাল কৰেনে নকৰে নাজানো, পিছে—আজি যে শহুৰৰ জীয়েক বাঁৰী হোৱাৰপৰা বাঁচিল।" ববলাই ক'লে।

"আৰু সেই আচল চোৰটোৰ কথাটোকে ভাবি চোৱাচোন! তাক শনিয়ে নোপোৱাহেঁতেন ক'ত কেনেকৈনো সাৰিলেহেঁতেনে সি!" এই বুলি কৈয়েই ধঁপতুৰা ধানুৰামে বিড়ি এডাল জ্বলাই সকলো দুৰ্ভাৱনাৰ গুৰিত ধোঁৱা দিলে।

৪

ৰাক্ষস উগ্ৰাক্ষই
চিত্ৰসেনক বুজাই ক'লে
তেওঁৰ ৰাজ্যৰপৰা মানুহ অদৃশ্য
হোৱাৰ ৰহস্যৰ কথা। 'জ্বালা দ্বীপ'ৰপৰা
অহা সেই ভয়ংকৰ প্ৰাণীহঁতেই যে ৰজা চিত্ৰসেনৰ
ৰাজ্যৰপৰা মানুহ ধৰি নিয়ে, সেই কথা উগ্ৰাক্ষৰপৰা জানিব
পাৰি চিত্ৰসেনে সেই প্ৰাণীহঁতক তথা উগ্ৰাক্ষ-বৰ্ণিত ভয়ংকৰ চৰাইৰূপী
অত্যদ্ভুত জন্তুক স্বচক্ষে চাবলৈ সেই অজান দ্বীপ 'জ্বালা দ্বীপ'লৈ যাবলৈ সাজু হ'ল
আৰু ৰজা চিত্ৰসেনৰ এই সাহসিক প্ৰস্তাৱত উগ্ৰাক্ষো সন্মত হ'ল। তাৰ পাছত……

উগ্ৰাক্ষ ৰাক্ষসে চিত্ৰসেনক আৰু তেওঁৰ লগত অহা অনুচৰসকলকো বিচিত্ৰ-ভৱনৰ প্ৰতিটো কক্ষ দেখুৱালে। এটা কক্ষত দ'মাই থোৱা সোণ, ৰূপ, মণি-মুকুতা, হীৰা আদি মূল্যৱান বাখৰ দেখি চিত্ৰসেন হতবাক হ'ল। মাথোন সিমানেই নহয়, আদিম যুগৰপৰা আৰম্ভ কৰি আজিৰ দিনলৈকে ৰাক্ষসহঁতে ব্যৱহাৰ কৰা অস্ত্ৰ, মূল্যৱান ৰত্ন-খচিত ৰাজমকুট আদি চাই চিত্ৰসেন বিস্ময়ত অভিভূত হৈ পৰিল।

চিত্রসেনে ক'লে, "উগ্রাক্ষ, তোমালোক ৰাক্ষস। ইমান ধন-সোণ-হীৰা-মুকুতাৰে তোমালোকে কি কৰানো?"

চিত্রসেনৰ প্রশ্ন শুনি মজা পাই ৰাক্ষস উগ্রাক্ষই হো হোৱাই হাঁহি ক'লে, "ওঠৰ বছৰৰ পাছৰ কথা মনত ৰাখিহে মই ইমান সা-সম্পদ গোটাইছোঁ।"

উগ্রাক্ষৰ মুখে ওঠৰ বছৰৰ কথা শুনি চিত্রসেনে ৰজা মনে মনে ভাবিলে ঃ মূৰ্খ উগ্রক্ষই ভাবিছে যে মই ওঠৰ বছৰৰ পাছত তাক মোৰ পুত্ৰটিক দিম। সি মূৰুখে যদি ভাবি সুখ পায়—ভাবি থাকক।

হঠাৎ উগ্রাক্ষৰ অনুচৰ এটাই হেঁপাই-ফোঁপাই উগ্রাক্ষক ক'লেহি, "পৰ্ভু! যিটো ভয়ানক চৰাইৰ পিঠিত উঠি সেই জ্বালাদ্বীপৰ জন্তুহঁত আহে, সেই বিকট চৰাইটো কুম্ভীটিপীত বহি আছে। সেই ঠাইৰ প্রহৰীহঁতে জোঁৰ জ্বলাই আমাক কথাটো এইমাত্রে জনালে।"

এই অনুচৰটোৰ কথা শুনি ৰাক্ষস উগ্রাক্ষ দমি যোৱা হৈ ক'লে, "চিত্রসেন, এই মুহূৰ্ততে ওলাই পৰা উচিত হ'ব। তোমাৰ ৰাজ্যৰ প্রজাহঁতক ধৰি লৈ যোৱাহঁতক মই তোমাক দেখুৱাম, ব'লা।"

এই কথা শুনি, খৰধৰকৈ খোৱা-বোৱা সামৰি, সকলো ওলাল। স্বয়ং উগ্রাক্ষ চিত্রসেনৰ লগত থাকিল। কিছু-দূৰলৈ আগবঢ়াৰ পাছত হঠাৎ উগ্রাক্ষৰ

বিচিত্ৰভৰনৰ ফালৰপৰা বিৰাট চৰাইৰ বিশাল ডেউকা কোবোৱাৰ শব্দ উঠিল আৰু বিচিত্ৰ চৰাইৰ তীব্ৰ-তীক্ষ্ণ সুহুৰিৰ দৰে মাত শুনা গ'ল। এইবোৰ শব্দ শুনি উগ্ৰাক্ষ আৰু চিত্ৰসেন, আৰু লগতে বাদবাকীবিলাকো থমকি থিয় হ'ল। বিচিত্ৰভৰনৰ ওপৰত বিৰাট আকৃতিৰ চৰাই এটাক পাক খাই খাই উৰি থকা দেখা গ'ল। প্ৰাসাদৰ প্ৰহৰীইঁতে জ্বলন্ত জোঁৰ হাতত লৈ চিংকাৰ কৰি আছিল— যাতে এই ভয়ংকৰ চৰাই আৰু তাৰ দলবল ইয়াত নামিব নোৱাৰে তাৰ বাবে। সিহঁতৰ চিঞৰ-বাখৰ, জ্বলন্ত জোঁৰ আদিয়ে তাত এক হুলস্থূলীয়া কাণ্ড লগাই দিছে।

এই অভাৱিত ঘটনাত বিস্মিত হৈ চিত্ৰসেনে কৈ উঠিল, "উগ্ৰাক্ষ, ইমান বিৰাট আকাৰৰ চৰাইৰ কথা আনকি মোৰ কল্পনায়ো ঢুকি নাপায়। এই চৰাইবোৰে তোমাৰ প্ৰাসাদ অধিকাৰ কৰিবলৈ চেষ্টা কৰিছেনে কি?"

"জ্বালা দ্বীপৰ অধিবাসীইঁতে ইয়াৰ আগতেও দুবাৰকৈ মোৰ প্ৰাসাদ অধিকাৰ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু আমাৰ পৰীয়াইঁতে জোঁৰ জ্বলাই যাঠি দলিয়াই— নানানভাৱে চেষ্টা কৰি এইবিলাকক খেদিছিল। কিন্তু এই চৰাই সমস্যা নহয়, সমস্যা হ'ল ইহঁতৰ পিঠিত উঠি অহাইঁত। ইহঁতক একোপধ্যে ধৰিব



নোৱাৰি। এবাৰ বহু চেষ্টাৰে এটাক ধৰা হৈছিল, যদিও ৰাতি পুউৱাৰ আগতেই সেইটো মৰি থাকিল। এতিয়া সিহঁতে সেই ঘটনাৰ প্ৰতিশোধ ল'বলৈ চেষ্টা কৰিছে চাগৈ। পিছে—ইয়াত নমাৰ সাহস সিহঁতৰ নহ'ব।" উগ্ৰাক্ষই ক'লে।

আৰু উগ্ৰাক্ষৰ কথা নৌশেষ হওঁতেই দুটা প্ৰকাণ্ড চৰাইয়ে সিহঁতব ডেউকাৰে গছ-গছনি ঢাহি-মুহি প্ৰচণ্ড আৰাৱেৰে দিগন্ত কঁপাই তাত নামি আহিল। লগে লগে চৰাই দুটাৰ পিঠিৰপৰা চাৰিটা মানুহ নামিল। উগ্ৰাক্ষ আৰু চিত্ৰসেনে বিৰাট গছ এজোপাৰ আঁৰ ল'লে।

চৰাইৰ পিঠিৰপৰা নামি অহা মানুহ চাৰিটাই চাৰিওফালে চাবলৈ ধৰিলে আৰু অতিকায় চৰাই দুটায়ো সিহঁতৰ পিছে পিছে বিচিত্ৰ ভংগীৰে গৈ থাকিল।

যদিও ইহঁত দুটাৰ ডেউকা আছিল, তথাপি ইহঁতক চৰাই বুলিও ক'ব নোৱাৰি। ইহঁতৰ বিৰাট আকাৰৰ ঠোঁট মেলিলেই বাঘৰ দৰে জোড়া জোড়া বিৰাট দাঁতবোৰ ওলাই পৰিছিল। আটাইতকৈ বিস্ময়ৰ কথা, ডেউকাৰ বাহিৰে ইহঁতৰ গাৰ ক'তো নোম নাই। অন্যান্য জন্তু-জানোৱাৰৰ দৰে দীঘল নেগুৰ এডাল আছে। ইহঁতৰ ঠোঁট দীঘলে তিনিহাতমান, আৰু গোটেই চৰাইটো দহ হাতমান দীঘল, ছহাতমান ওখ।

"আচল বিপদ কিন্তু বাঘৰ ছাল পিন্ধা সেই মানুহকেইটা নহয়, আচল হ'ল এই চৰাইবোৰ। ইহঁতে জ্বালাদ্বীপৰ অধিবাসীহঁতক কেৱল কঢ়িয়ায়েই নালে, দেহৰক্ষীৰো কাম কৰে। জ্বালাদ্বীপৰ অধিবাসীহঁতক যদি কোনোবাই আক্ৰমণ কৰে, এই কদাকাৰ ভয়াল ভয়ংকৰ চৰাইহঁতে সিহঁতৰ ঠোঁটেৰে আৰু ঠেঙত থকা নখেৰে আক্ৰমণকাৰীহঁতক ছিৰাছিৰ কৰি পেলায়। মোৰ ভালেমান অনুচৰক ইহঁতে ইহঁতৰ ঠোঁটেৰে খুচি খুচি মাৰি

পেলাইছিল।” উগ্ৰাক্ষই ক'লে।

উগ্ৰাক্ষই চিত্ৰসেনক পুনৰ ক'লে, “সোৱা চোৱা, পাহাৰৰ নামনিত থকা আমাৰ ডেৰালৈ—মানে তথুলৈ বুলি সিহঁতকেইটা গৈ আছে। তাৰপৰা সিহঁতে আমাৰ মানুহ কেইটামানক ধৰি লৈ যাব।”



“ধৰি লৈ যাব!” চিত্ৰসেনে ক'লে, “সিহঁতে ধৰি লৈ যাব, আৰু আমি কাঠ-পুতলাৰ দৰে চাই থাকিমনে?”

“নহে'লেনো কি কৰিবা? এই মানুহ চাৰিটাৰ বিৰুদ্ধে যুঁজ দিব পাৰি; কিন্তু চৰাই দুটাৰ বিৰুদ্ধে তো নোৱাৰি। কেৱল জ্বালাদ্বীপবাসীহঁতক মই মোৰ কেঞা আঙুলিৰে খতম কৰিব পাৰোঁ। কিন্তু কদাকাৰ চৰাইৰ বিৰুদ্ধে—আমি অপাৰগ।” অসহায় উগ্ৰাক্ষই ক'লে, “ইহঁতক ভেটিব কোনে?”

ঠিক সেই মুহূৰ্ত্তত, উগ্ৰাক্ষ আৰু চিত্ৰসেনে আঁৰ লৈ থিয় হৈ থকা গছ-জোপাৰপৰা কেঁচাই কুকলিয়াই উঠিল। আৰু লগে লগে বাঘৰ ছাল পিন্ধা জ্বালাদ্বীপবাসী চাৰিটা বিজুলীগতিৰে ঘূৰি থিয় হ'ল, আৰু সেই কদাকাৰ চৰাই দুটায়ো বিকট শব্দেৰে ৰাউচি জুৰিলে।

“ইয়াত কোনোবা থকা বুলি সিহঁতে গম পাই গ'ল।” উগ্ৰাক্ষই গুন-গুনকৈ চিত্ৰসেনক ক'লে। উগ্ৰাক্ষই তাৰ অনুচৰ এটা হাত বাউল দি মাতি আনি তাৰ কাণে কাণে কিবা যেন ক'লে। আৰু পাছ মুহূৰ্ত্তে অনুচৰবিলাক দুভাগেৰে বিভক্ত হৈ দুফালে গুচি গ'ল।

অনুচৰবিলাক গুচি যোৱাৰ পাছত চৰাই দুটাই চিত্ৰসেন আৰু উগ্ৰাক্ষ থকা ঠাইলৈ আগুৱাই আহি থাকিল আৰু চৰাই দুটাৰ পিছে পিছে আহি থাকিল বাঘৰ পিন্ধা জ্বালাদ্বীপবাসী চাৰিটা। এন্ধাৰৰ মাজতো সিহঁতৰ হাতত থকা অস্ত্ৰবোৰ জিলিকি আছিল।

চিত্ৰসেনে মুহূৰ্ত্তে খাপৰপৰা তৰোৱাল

ধৰিলে। আৰু ঠিক তেতিয়াই উগ্ৰাক্ষৰ অনুচৰহঁতে বাঘছাল পিন্ধা জ্বালাদ্বীপবাসী দুটাক আক্ৰমণ কৰিলেহি। আৰু চিত্ৰসেনে এটা জ্বালাদ্বীপবাসীক তিমানতে তৰোৱালেৰে ঘচংকৈ কাটিয়েই পেলালে।

বহু সময় ধৰি দুয়োপক্ষৰ মাজত নাই তই নাই মই চলি থাকিল। উগ্ৰাক্ষই বিষম আহত হৈয়ো বীৰ বিক্ৰমেৰে যুঁজি থাকিল। উগ্ৰাক্ষৰ টাঙোনৰ উগ্ৰ কোব সহিব নোৱাৰি চৰাই দুটায়ো মাজে-মধ্যে পিছ-হোঁহকা দিবলৈ ধৰিলে। চৰাইৰ আক্ৰমণেৰে কেৱল উগ্ৰাক্ষয়েই নহয়, উগ্ৰাক্ষৰ আৰু চিত্ৰসেনৰো অনুচৰহঁতো ক্ষত-বিক্ষত হৈ পৰিছিল। উগ্ৰাক্ষৰ অনুচৰহঁতৰ মাজত কেইটামানে চৰাইৰ-ঠোঁট আৰু নখৰ আঘাত সহিব নোৱাৰি আৰ্তনাদ কৰি পলাল।

আনহাতে বাছাল পিন্ধা এটাক মাৰি চিত্ৰসেনৰ সাহস চাৰিগুণে চৰিল। তেওঁ প্ৰবল বিক্ৰমৰে আক্ৰমণ চলাই থাকিল আৰু বাঘছাল পিন্ধাহঁতে চিত্ৰসেনৰ আক্ৰমণৰ আগত একোপধ্যে তিষ্ঠিব নোৱাৰি পিছ হোঁহকা দিবলৈ ধৰিলে। চৰাই দুটাই সিহঁতৰ সাধ্যানুসৰি বাঘছাল পিন্ধাহঁতক সহায় কৰি আছিল। যিহঁতে চৰাই দুটাক আক্ৰমণ কৰিছিল, সিহঁতেই উলিয়াই কোবামুঠীয়াকৈ ধৰিলে। উগ্ৰাক্ষৰ হাতত আছিল এটা শিলৰ টাঙোন। টাঙোনটো এবাৰ জোকাৰি চালে উগ্ৰাক্ষই। চিত্ৰসেনো বিপদক মূৰ পাতি ল'বলৈ পৰিপূৰ্ণভাৱে সাজু হ'ল।

আৰু আচম্বিতে এটা চৰাই উগ্ৰাক্ষৰ ওপৰত জঁপিয়াই পৰিল। উগ্ৰাক্ষই তাৰ শিলৰ টাঙোনেৰে চৰাইটোৰ মূৰত জোৰেৰে এমাৰ মাৰিলে আৰু লগে লগে সেই চৰাইটো লুটি খাই বাগৰি পৰিল। কিন্তু চকুৰ পচাৰতে আন চৰাইটোৱে তাৰ ঠেঙত থকা বীভৎস নখ আৰু ঠোঁটেৰে উগ্ৰাক্ষক ছিৰাছিৰ কৰিবলৈ

CHITRA

বেয়াকৈ আহত হৈছিল। সিহঁতৰ দেহ ৰক্তাক্ত হৈ পৰিছিল।

সহচৰহঁতৰ এই অৱস্থা দেখি উগ্ৰাক্ষৰ উগ্ৰ খং উঠিল, আৰু সি তাৰ শিলৰ টাঙোনটো বিজুলীগতিৰে জোকাৰি থকা দেখি বাঘছাল পিন্ধা জ্বালাদ্বীপবাসীহঁত তৎক্ষণাৎ চৰাইৰ পিঠিত উঠিলগৈ আৰু পিঠিত বহি দিয়াৰ লগে লগেই চৰাই দুটায়ো আকাশলৈ বুলি ডেউকা মেলি দিলে। উগ্ৰাক্ষই টাঙোনটো সজোৰে চৰাই দুটালৈ দলিয়াই পঠালে; কিন্তু এটা চৰায়ে তাৰ দীঘলীয়া ঠোঁটেৰে টাঙোনটোৰ গতি ৰুদ্ধ কৰাত সেই গধুৰ টাঙোনটো তললৈ বাগৰি পৰিল।

উগ্ৰাক্ষৰ দেহৰপৰা ধাৰাসাৰ তেজ ওলাইছিল। চিত্ৰসেনে ক'লে, "উগ্ৰাক্ষ, তুমি বৰ বেয়াকৈ আহত হ'লা দেখোন—।"

"মৰি নাযাওঁ—।" উগ্ৰাক্ষই সেহাই সেহাই ক'লে, "পিছে—এপযমানৰ বাবে পাটী ল'ব লাগিব যেন পাইছোঁ। এই চৰাইহঁতৰ ঠোঁট আৰু নখত ইমান যে তীব্ৰ বিষ! মোৰ সহচৰহঁতৰ অৱস্থাবা কি?"

"তোমাৰ সহচৰহঁতৰ মাজত দুজনক চৰাই দুটাই মাৰি পেলালে। চাৰি-পাঁচজন ক্ষত-বিক্ষত অৱস্থাত কেঁকাই আছে। আৰু—আৰু কিছুমান পলাল।"

চিত্ৰসেনে উগ্ৰাক্ষৰ অনুচৰহঁতৰ মাজত এটাক সুধিলে, "এটা জ্বালাদ্বীপৰ মানুহ মৰিল, নহয়?"

"হয়, মহাৰাজ!" অনুচৰটোৱে ক'লে।

উগ্ৰাক্ষই দাঁত-মুখ কৰচি তাৰ অনুচৰহঁতক কৈ উঠিল, "তহঁত যে ৰাক্ষসবংশৰ —সেই কথা আৰু মুখতো নানিবি। তহঁত ৰাক্ষসকুলৰ কলংক। নহ'লেনো পলাবি কিয়? তহঁতৰ এই কাপুৰুষালি অসহ্য!"

দেহৰ আৰু মনৰো সেই সুতীব্ৰ অপমানৰ যাতনা সহিব নোৱাৰি উগ্ৰাক্ষই তাতে বহি পৰিল। [অহা সংখ্যাত

আবেগ আৰু নীতি

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গৈ, গছৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, আউঁসীৰ আন্ধাৰত, নিমাওমাও বাটেদি নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা প্ৰতিজ্ঞা ভালেই ; কিন্তু কেতিয়াবা কেতিয়াবা প্ৰতিজ্ঞাও অৰ্থহীন হৈ পৰা দেখা যায়। মই তোমাক কৃপাকৰৰ কাহিনী কওঁ, শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো নহ'লেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে :

ৰামানন্দ নামৰ ব্যৱসায়ীজ এনৰ দুজন ল'ৰা আছিল। ডাঙৰজনৰ নাম প্ৰীতিবাস, তাৰ সিমান বুদ্ধিবৃত্তি নাছিল। সৰু

'বেতাল-কথা'



ল'ৰাটোৰ নাম আছিল কৃপাকৰ। কৃপাকৰ আছিল বৰ চালাক-চতুৰ। মই যেতিয়াৰ কথা কৈ আছোঁ, তেতিয়া ৰামানন্দৰ পৰিবাৰ আছিল চল্লিছ বছৰীয়া। ৰামানন্দই তেওঁৰ পৰিবাৰক বৰ ভাল পাইছিল। হঠাৎ ৰামানন্দ অসুস্থ হ'ল। প্ৰীতিবাসৰ মনত এই কথাত দাৰুণ দুশ্চিন্তা। ৰামানন্দই পাটী লোৱাত কৃপাকৰে ব্যৱসায়ৰ সকলো কাম চোৱা-মেলা কৰিছিল, আৰু সি এই কামত যথেষ্ট উন্নতিও কৰিছিল।

কিছু দিনৰ অন্তত গুণশেখৰ নামৰ আন এজন ব্যৱসায়ীয়ে ৰামানন্দৰ সা-সম্পদৰ কথা শুনি আৰু জানি, ৰামানন্দৰ ল'ৰা দুজনৰ সৈতে তেওঁৰ ছোৱালীদুজনীৰ বিয়া পাতিবলৈ গুণা-গঁথা কৰি থাকিল। প্ৰথমতে বিয়াৰ বিষয়ত কথা-বতৰা পাতিলে। তাৰ পাছত এই ল'ৰা-ছোৱালীহঁতেও পৰস্পৰক চাব বুলি স্থিৰ কৰিলে। ডাঙৰজনীয়ে প্ৰীতিবাসক পচন্দ কৰিলে ; কিন্তু সৰুজনী শোভাই কৃপাকৰক একেবাৰে পচন্দ নকৰা হ'ল। কিয়নো, কৃপাকৰদেখন-দৰ্পণে বৰ ভাল নাছিল।

এই কথাত কৃপাকৰৰ খং উঠিল,। সি মনতে প্ৰতিজ্ঞা ল'লে যে শোভাতকৈয়ো সুন্দৰী ছোৱালীক সি বিয়া কৰাব।

প্ৰীতিবাসৰ সৈতে ডাঙৰজনীৰ—মানে —ৰমাৰ বিয়া হৈ গ'ল। এই বিয়াৰ কিছু দিনৰ পাছত ৰামানন্দ ঢুকাল।

ৰামানন্দ ঢুকোৱাৰ কিছুদিনৰ অন্তত নবৌৱেক ৰমাই কৃপাকৰক এদিন ক'লে. "কৃপাকৰ, তুমি তোমাৰ ককায়েৰতকৈ বুদ্ধিমন্ত। শোভাই তোমাক বিয়া নকৰোৱাত মোকো তুমি বেয়া পাই আছা। মোৰ প্ৰতি যদি কিবা অন্যায়-অবিচাৰ হয়, সেই কথা কোৱাৰো থল মোৰ নাই। কিয়নো, দেউতা ঢুকাল। তেনেহ'লে— মইনো কেনেকৈ জীয়াই থাকোঁ ? মোৰ জীৱনৰ প্ৰতি কোনো আশা-ভৰসা মই নেদেখোঁ। সদায় ভয়হে হয় মনত।"

"তোমাৰ এই ভয়ৰ কোনো হেতু মই বিচাৰি পোৱা নাই, নবৌ। মই তোমাক বেয়া পাই আছোঁ বুলিয়েইবা তোমাৰ ধাৰণা হ'ল কিয়? মোক যে কোনো ছোৱালীয়ে পচন্দ নকৰিব—সেই কথা ময়ো জানিছিলোঁ। সেয়েহে, শোভাকো মই মুঠেই বেয়া পোৱা নাই। আৰু তোমাক বেয়া পোৱাৰ তো কোনো প্ৰশ্নই নুঠে। যি কি নহওক—কি কৰিলে মই তোমাক বেয়া পোৱা নাই বুলি ভাবিবা —কোৱাচোন?" কৃপাকৰে সুধিলে।

"তেনেহ'লে ক'ৱেঁই,—দেউতা স্বৰ্গী হ'ল, এতিয়া তোমালোকৰ বিষয়-সম্পত্তিৰ আধাখিনি যদি তুমি যদি তোমাৰ ককায়েৰৰ নামত লিখি দিয়া, তেতিয়াহে ভাবিম যে তুমি মোক বেয়া পোৱা নাই।"

"আধা নালাগেচোন, মই আটাইখিনি সা-সম্পত্তি ককাইদেউৰ নামত লিখি দিম।" কৃপাকৰে ৰমাক ক'লে।

আৰু কোৱাৰ দৰে কৃপাকৰে কামো কৰিলে। সি তাৰ ককায়েক প্ৰীতিবাসৰ নামত সকলো সা-সম্পত্তি লিখি দিলে, আৰু সি নিজে কেৱল ব্যৱসায় চোৱা-মেলা কৰি থাকিল।

আটাইখিনি সম্পত্তি স্বামীৰ নামত লিখোৱাই লোৱাৰ পাছত ৰমাৰ মাজত পৰিৱৰ্তনে দেখা দিলে। কৃপাকৰৰ প্ৰতি তাইৰ মনোভাৱ অৱহেলামূলক হৈ উঠিল।

ৰমাক দেখি ঘৰৰ কাম-বন কৰা মানুহখিনিও কৃপাকৰৰ নমনা হ'ল। এনে অৱস্থা-ব্যৱস্থা অসহনি হোৱাত এদিন কৃপাকৰে তাৰ ককায়েক-নবৌয়েকৰপৰা বিদায় খুজিলে।

নবৌয়েক ৰমাই উদ্বিগ্নতাৰ ভাও জুৰি ক'লে, "তুমি গুচি যাবা কিয়, কৃপাকৰ? মানুহে দেখোন আমাৰ বদনাম গাব। তুমি ক'লৈকো নাযাবা।"

"নহয়, নবৌ, মই নাথাকোঁ ইয়াত। মই গুচি যোৱাটোহে ভাল হ'ব।

এজোপা গছৰ তলত দুজন মানুহক শুই থকা দেখা পালে।

সেই মানুহ দুজনৰ মাজত এজনে কৃপাকৰক ক'লে, "তোমাক নিশ্চয় ঈশ্বৰেই আমাক ৰক্ষা কৰিবলৈ পঠিয়াইছে। ডকাইতহঁতে আমাৰ যথাসৰ্বস্ব কাঢ়ি লৈ গ'ল। আমি এতিয়া ভোকাতুৰ। ধনো নাই, খাদ্যও নাই। অথচ একো নোখাৱাকৈ ইয়াৰপৰা যাবও নোৱাৰিম— শক্তিও নাই।"

ওচৰত থকা এজোপা গছৰপৰা বাৰটা পকা ফল পাৰি আনি কৃপাকৰে সিহঁত দুজনক খাবলৈ দিলে।

সিহঁতৰ মাজত এজনে ক'লে, "মোৰ নাম ৰত্নগুপ্ত। ব্যৱসায়-বাণিজ্য কৰোঁ। এওঁ মোৰেই কৰ্মচাৰী, এওঁৰ নাম কুমুদ। নগৰলৈ যোৱাৰ পাছত মই তোমাক লাগিলে সহায় কৰিব পাৰিম। যদি কিবা সহায় লাগে—সংকোচ নকৰাকৈ ক'বা।

কৃপাকৰে ৰত্নগুপ্তক নিজৰ অৱস্থাৰ কথা বিবৰি ক'লে।

সকলো কথা শুনাৰ অন্তত ৰত্নগুপ্তই ক'লে, "চোৱাঁ, মোৰ পুত্ৰ নাই। ব্যৱসায়ত সহায় কৰাৰ বাবে এজন বিশ্বাসী মানুহ মোক লাগে। আজিৰ দিনত বিশ্বাসী মানুহ পোৱাটো তেনেই টান। তুমি

ককাইদেৱে ব্যৱসায় চলাব নোৱাৰিব বুলি ভাবিহে ইমানদিন ইয়াত আছিলোঁ, ব্যৱসায় কৰাৰ ক্ষমতা নথকাতহে সকলো বিষয়-সম্পত্তি তাৰ নামত লিখি দিছিলোঁ। যি কি নহওক, কোনোবাই সুধিলে— মই তোমালোকক নোকোৱা-নোমেলাকৈ গুচি যোৱা বুলি কৈ দিবা।" এই বুলি কৈ, কৃপাকৰ গুচি গ'ল।

কৃপাকৰ ক'লৈ যে গ'ল, কোনেও নাজানিলে। বহুদূৰলৈকে যোৱাৰ পাছত কৃপাকৰ অৰণ্যৰ মজেদি গৈ থাকিল। কৃপাকৰ বৰকৈ ভাগৰি পৰি জিৰণি ল'বৰ মনেৰে গছৰ ছাঁত বহিবলৈ ধৰোঁতেই

অতি সৎ তথা বিশ্বাসী বুলিহে মোৰ ধাৰণা হৈছে। যদি মোৰ অধীনত কাম কৰাৰ মন আছে, ব'লা নগৰলৈ।"

ৰত্নগুপ্তৰ প্ৰস্তাৱত কৃপাকৰ সন্মত হ'ল। কৃপাকৰ নগৰলৈ গ'ল। চাওঁতে চাওঁতে কৃপাকৰে ৰত্নগুপ্তৰ ব্যৱসায়ত উন্নতিৰ জোৱাৰ আনিলে। ব্যৱসায়ত যিখিনি লাভ হৈছিল, ৰত্নগুপ্তই সেই লাভৰ চাৰি-ভাগৰ এভাগ কুমুদক, আৰু চাৰিভাগৰ এভাগ কৃপাকৰকো দিছিল।

কৃপাকৰৰ বুদ্ধি, কৰ্মতৎপৰতা আদিলৈ লক্ষ্য কৰি কুমুদৰ পৰমাসুন্দৰী ছোৱালী মনোৰমা তাৰ প্ৰতি আকৃষ্ট হ'ল।

ৰত্নগুপ্তৰো এজনী ছোৱালী আছিল। তাইৰ নাম ৰাণী। তায়ো কৃপাকৰক ভাল পাই পেলালে। পিছে—ৰাণীজনী দেখাত মনোৰমাৰ দৰে সুন্দৰী নাছিল।

মনোৰমাই ভাবিলে ঃ এই নগৰত মোৰ নিচিনা সুন্দৰী আন এজনীও নাই। কৃপাকৰে শোভাতকৈ সুন্দৰী বিয়া কৰাব বুলি প্ৰতিজ্ঞা কৰিছিল ; গতিকে—কৃপাকৰে মোক নিশ্চয় বিয়া কৰাব।

আনহাতে, ৰাণীয়ে ভাবি থাকিল ঃ মই বিখ্যাত ধনী ব্যৱসায়ীৰ কন্যা। ধন কাক নালাগে ? সকলোকে লাগে। কথাত বোলে — ধনেই ধৰ্মৰ মূল। তাৰ ককায়েকতকৈ অধিক ধন-সম্পদ আৰ্জিব বুলি প্ৰতিজ্ঞা কৰি কৃপাকৰে ঘৰ এৰিছিল। সি নিশ্চয় মোকেই বিয়া কৰাব।

মনোৰমাই তাইৰ দেউতাক কুমুদক তাইৰ মনৰ কথাটো আকাৰে-ইংগিতেৰে জনাই দিলে, তাই কৃপাকৰকহে ভাল পায়। ৰাণীয়ে পোনে পোনেই তাইৰ দেউতাক ৰত্নগুপ্তক ক'লে, "দেউতা, মই কৃপাকৰক বিয়া কৰাম।"

কুমুদে কৃপাকৰক ক'লে তাৰ জীয়েক মনোৰমাৰ কথা। আৰু ৰত্নগুপ্তয়ো আন এদিন তেওঁৰ জীয়েক ৰাণীৰ কথা কৃপাকৰক ক'লে। কৃপাকৰে এক কথাত ৰাণীক

বিয়া কৰাবলৈ মান্তি হ'ল।

এই কাহিনী কোৱাৰ অন্তত, বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, শোভাতকৈ সুন্দৰী ছোৱালী বিয়া কৰাব বুলি প্ৰতিজ্ঞা লোৱা কৃপাকৰে মনোৰমাক বিয়া নকৰাই ৰাণীক বিয়া কৰোৱাত মান্তি হ'ল কিয়? ধনৰ লোভতেনে? ৰাণীক বিয়া কৰাই ধন-সম্পদ পালে কৃপাকৰে; কিন্তু শোভাতকৈ সুন্দৰী বিয়া কৰোৱাৰ প্ৰতিজ্ঞাত সি অটল থাকিব নোৱাৰিলে। ইয়াৰ হেতুনো কি? মোৰ এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও সঠিককৈ নিদিলে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "কৃপাকৰে ধনৰ লোভত ৰাণীক বিয়া কৰাইছিল—এই ধাৰণা সম্পূৰ্ণ ভুল। কৃপাকৰ আছিল এগৰাকী আদৰ্শবাদী যুৱক। তাৰ ন্যায়-নীতিবোধ থকা হেতুকেহে সকলো সা-সম্পদ ককাইদেউৰ নামত লিখি দিছিল। নিজে ভোকে-পিয়াহে কাতৰ হোৱা সত্বেও অৰণ্যত অসহায় অৱস্থাত পৰি থকা ৰত্নগুপ্ত আৰু কুমুদক ফল বুটলি আনি খাবলৈ দিছিল। ৰাণীক বিয়া কৰোৱাৰ মাজতো কৃপাকৰৰ নীতিবোধৰ পৰিচয় পোৱা যায়। সুন্দৰী মনোৰমাক যেয়ে সেয়ে বিয়া কৰাব; কিন্তু দেখাত অশুৱনি ৰাণীৰ কাৰণে পাত্ৰ পোৱা টান হ'ব। আৰু—ৰাণীয়ে যে তাৰ কৰ্মতৎপৰতাৰ বাবে তাক ভাল পায়, সেই কথাটোও কৃপাকৰে অনুভৱ কৰিব পাৰিছিল, আৰু নীতিক মৰ্যাদা দি আবেগক পৰিত্যাগ কৰিছিল। শোভাতকৈ সুন্দৰীক বিয়া কৰোৱাৰ মাজত আবেগৰ বাহিৰে আন একোৱেই নাছিল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতাল শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



কামালৰ কুটিকথা

তাছখন্দ চহৰত মীৰ কামাল নামৰ এগৰাকী বেপাৰী আৰু তেওঁৰ বিবি [পত্নী] জামীৰা বাস কৰিছিল। দুয়ো আছিল কৰাইচৰো কৰাইচ। আৰ্জনৰ ধন সাচনত থৈ, য'ৰপৰা যি পাইছিল খুজি-মাগি খাইছিল। বেপাৰী মীৰ কামাল বেপাৰৰ কামত দূৰ-দূৰণিলৈ গৈছিল, আৰু সপ্তাহে-প্ৰতি কেৱল বুধবাৰ বুধবাৰেহে জামীৰাৰ সৈতে ঘৰত দেখাদেখি হৈছিল। সিহঁতহালৰ সতি-সন্ততি একো নাছিল।

হঠাৎ এই সপ্তাহৰ বুধবাৰদিনা জামীৰাই কান্দিবলৈ ধৰিলে। তাই কান্দি কান্দি কৈ থাকিল, "সপ্তাহটোৰ ছদিন মই অকলশৰে কটাওঁ, তুমি মাত্ৰ এই বুধবাৰটোতেহে আহা। মোৰ লগৰীয়া কোনো নাই, কি কপাল সাধি মই আহিছোঁ। মোক আন একো নিদিয়া যদি নাই, এটা ভেড়া-পোৱালি কিনি আনি দিয়া।"

মীৰ কামালে তেতিয়াই ওলাই গৈ হাড়ে-ছালে লগা ভেড়া-পোৱালি এটা পানীৰ দামত কিনি আনিলেগৈ।

এই ভেড়াটোৱে দিনে-নিশাই বেবাই-ছিল আৰু যি পাইছিল তাকে খাইছিল।

এই বুধবাৰে ঘৰলৈ অহাৰ লগে লগেই জামীৰাই কান্দি কান্দি ক'লে, "এই ভেড়া-পোৱালিটো হ'ল মোৰ সাইখাত কাল। সোনকালে মোৰ ইন্তেকাল [মৰণ] হোৱাটোহে তোমাক লাগে আৰু সেই কাৰণহে এইটোক কিনি আনিছা। হয় তুমি ইয়াক আজিয়েই বিদায় কৰা, নহ'লে মোকেই বিদায় দিয়া, মই মোৰ

'উজবেক লোক-কাহিনী'

আম্মাৰ ওচৰলৈ যাওঁগৈ।"

"এহ্, ইমান ব্যস্ত নহ'বাচোন, মই পোৱালিটোক এতিয়াই থৈ আহিমগৈ ক'ৰবাত।" মীৰ কামালে ক'লে।

মীৰ কামালে কবৰস্থানৰ ৰখীয়াক ক'লেগৈ, "ককাইদেউ, মোৰো বয়স হ'ল। মোৰ ল'ৰা-ছোৱালীও নাই। আল্লাহ্-তাল্লাই যেতিয়া মাতিব—যাব তো লাগিবই। কিন্তু মোক তেতিয়া কবৰ দিব কোনে? তুমি এই ভেড়াটোক লোৱা। তাৰ পৰিবৰ্তে মোক কবৰ দিবা।"

কবৰস্থানৰ ৰখীয়াই ভেড়াটোক নিলে।

ছমাহমানৰ পাছত এদিন মীৰ কামাল কবৰস্থানলৈ গ'ল ভেড়া-পোৱালিটোক চাবলৈ। চাই সি অবাক হ'ল আৰু ভাবিলে ঃ ভেড়াটোৰ ওজন কমেও ছুমোণমান হ'ব। এনে তেলাল ভেড়াটোক দান কৰাটো বৰ বুৰ্বকৰ কামেই হ'ল।

এইবোৰ কথা ভাবি মীৰ কামালে কবৰস্থানৰ সেই ৰখীয়াক ক'লে, "ককাইদেউ, মোৰ কপালত আলৈ-আহুকালৰ শেষেই নাই। মোক দেশৰপৰা বহিষ্কাৰ কৰা হ'ল। এতিয়াই আন দেশলৈ গুচি যাম, তুমিও মোৰ লগত ব'লা।"

"মই!" কবৰস্থানৰ ৰখীয়াই অবাক হৈ ক'লে, "মই কিয় যাম?"

"নাযাবা মানে? মোৰ ইন্তেকাল হ'লে মোক কবৰ দিব কোনে? তোমাক যিদিনা এই ভেড়াটো দিছিলোঁ—সিদিনা এই চৰ্ত হোৱা নাছিল জানো? এতিয়া—মোৰ লগত নগ'লে হ'ব কেনেকৈ?"

"চোৱা, ভাই, তুমি য'লৈকে মন যায় যোৱা, য'তে মন যায় মৰাগৈ। মই তোমাৰ লগতো নাযাওঁ, ভেড়াটোও নাৰাখোঁ।" কবৰস্থানৰ ৰখীয়াই ক'লে।

তেতিয়া মীৰ কামালে নোদোকা ভেড়াটোক কোলাত লৈ, গীত গাই, তপিনা বজাই, সুহুৰিয়াই, ৰংমনে ঘৰমুৱা হ'ল।



খাজুৰাহো

হাজাৰ বছৰৰ আগেয়ে বিন্ধ্য পৰ্বতৰ পশ্চিমদিশত এডোখৰ বিতোপন অঞ্চলত থকা এটি সৰোবৰত পূৰ্ণিমাৰ নিশা এগৰাকী ব্ৰাহ্মণকন্যা স্নান কৰি আছিল।

সেই বিতোপন অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অপূৰ্বসুন্দৰ পৰিবেশ দেখি মুগ্ধ হৈ চন্দ্ৰই মানুহৰ ৰূপ ধৰি বিন্ধ্য পৰ্বতৰপৰা নামি আহি ভ্ৰমি থাকিল।





গৈ গৈ চন্দ্ৰই ব্ৰাহ্মণকন্যাই স্নান কৰি থকা সেই সৰোবৰ পালেগৈ। অপৰূপা ব্ৰাহ্মণকন্যাক দেখি চন্দ্ৰ প্ৰথম দেখাতে মুগ্ধ হৈ চন্দ্ৰ ব্ৰাহ্মণকন্যাৰ কাষ চাপিল।

এই ঘটনাৰ পাছৰপৰা প্ৰতিনিশা চন্দ্ৰ তালৈ আহে, আহি ব্ৰাহ্মণকন্যাৰ সৈতে গল্প কৰে। কিছুকাল এইদৰে পাৰ হোৱাৰ পাছত চন্দ্ৰই সেইজনী ব্ৰাহ্মণকন্যাক বিবাহ কৰালে। দুয়ো সুখে-সন্তোষে জীৱন কটাবলৈ ধৰিলে।

কিন্তু চন্দ্ৰই বৰ বেছি দিনলৈ মানুহৰ ৰূপত থাকিব নোৱাৰিলে। পুনৰ দেৱলোকলৈ যোৱাৰ আগতে চন্দ্ৰই ব্ৰাহ্মণকন্যাক ক'লে, "তোমাৰ গৰ্ভৰপৰা ওপজা পুত্ৰসন্তানটি এক বিখ্যাত বংশৰ আদিপুৰুষ হ'ব।" এই বৰ দান কৰি চন্দ্ৰ পুনৰ দেৱলোকলৈ গুচি গ'ল।

চন্দ্ৰৰ পত্নীৰ পুত্ৰ জনমিল। এই পুত্ৰটি দেখাতো সুন্দৰ, বুদ্ধিতো প্ৰখৰ। তাৰ সাহস আৰু শক্তিৰে সি ক্ৰমে ক্ৰমে এই বিৰাট অঞ্চলৰ সৰ্বেসৰ্বা হৈ উঠিল।

তাৰ পাছত এদিন চন্দ্ৰৰ পুত্ৰ এই অঞ্চলৰ ৰজা হ'ল। ৰজা হৈ চন্দ্ৰ-পুত্ৰই ধৰ্মৰ বাটেৰে দেশ শাসন কৰি থাকিল। চন্দ্ৰৰ পুত্ৰ হোৱাৰ কাৰণে এই বংশই সকলোতে চণ্ডেলা হিচাপে খ্যাত হ'ল।



চন্দ্ৰ আৰু সেই ব্ৰাহ্মণ কন্যাৰ প্ৰথম দেখাদেখি হৈছিল এজোপা খাজুৰি গছৰ তলত। এই ঘটনাৰ স্মৃতিচিন হিচাপে ৰজাই নগৰৰ সিংহদ্বাৰৰ দুকাষত খাজুৰি গছ ৰুইছিল। তেতিয়াৰেপৰাই সেই নগৰখনৰ নাম হ'ল খাজুৰাহো।

চাওঁতে চাওঁতে খাজুৰাহো এখন প্ৰসিদ্ধ নগৰ হিচাপে খ্যাত হ'ল। বিশ্বৰ বিভিন্ন দেশৰপৰা বণিজাৰসকল ইয়ালৈ আহিল। বিভিন্ন দেশৰ ৰাজন্যবৰ্গয়ো ইয়ালৈ আহি অসংখ্য মন্দিৰ নিৰ্মাণ কৰিলে। আজিও সেই মন্দিৰসমূহৰ মাজত পঁচিছটি মন্দিৰ অক্ষত অৱস্থাত আছে।





দশম আৰু একাদশ শতিকাত চণ্ডেলা শাসকসকলেও ইয়াত অসংখ্য মন্দিৰ সজাইছিল। এই ঠাইত সিংহৰ মূৰ্তিৰে যি বিগ্ৰহ নিৰ্মাণ কৰা হৈছিল, সেই বিগ্ৰহই এতিয়ালৈকে চণ্ডেলা ৰাজবংশৰ অস্তিত্বৰ কথা সগৌৰৱে ঘোষণা কৰিছে।

খাজুৰাহোৰ মন্দিৰসমূহৰ মাজত কন্দৰীয়া মহাদেৱৰ মন্দিৰ আটাইতকৈ ডাঙৰ। ত্ৰিছ মিটাৰ উচ্চতাসম্পন্ন এই মন্দিৰৰ গাত জীৱনৰ বিভিন্ন দিশৰ অসংখ্য শিল্প-নৈপুণ্যৰ নিৰ্দশন আজিও বিদ্যমান।





বৰ্ত্তমানকালত, প্ৰতিবছৰ খাজুৰাহোত নৃত্যনাট্য অনুষ্ঠিত হয়। পৌৰাণিক আৰু ঐতিহাসিক ঘটনাৱলীৰ জীৱন্ত নিদৰ্শন হিচাপে সকলো দৰ্শনাৰ্থীৰ ওচৰত খাজুৰাহো আজিও সমভাৱে সমাদৃত।

ভমলা ভকতি

গণগ্ৰামৰ গণপতি আছিল পঢ়া-লিখা জনা নিবনুৱা। বহু চেষ্টা কৰিও সি কোনো চাকৰি নাপাই অৱশেষত গাঁৱৰ আওপুৰণি মন্দিৰৰ কাষত থকা গছ এজোপাৰ তলত আশ্ৰয় ল'লে। ৰ'দ-বৰষুণ-ধুমুহাৰ দিনত গণপতিয়ে সেই আওপুৰণি মন্দিৰত আশ্ৰয় লৈছিলগৈ।

এই মন্দিৰত মানুহৰ আহ-যাহ একেবাৰে নাছিল। মন্দিৰটো আছিল পৰিত্যক্ত মন্দিৰ। মন্দিৰৰ ভিতৰত যতমানে বাদুলি, পইঁতাচোৰা, এন্দুৰৰ বাহ। নানান ধৰণৰ বিছাও কম নাছিল। আৰু আছিল অন্তহীন মকৰাৰ জাল।

ৰ'দে-বৰষুণে আশ্ৰয় লোৱা বাবে গণপতিয়ে মন্দিৰৰ ভিতৰফাল চাফা কৰি ল'লে। লাহে লাহে তাৰ মন মন্দিৰটোক চাফ-চিকুণ ৰখাৰ পিনে ঢাল খাই পৰিল!

আৰু তাৰ ফলত, এৰাবাৰীৰ দৰে পৰিত্যক্ত এই মন্দিৰত গাঁৱৰ দুই-চাৰি আহিবলৈ ধৰিলে, পূজা আগ কৰিবলৈ ধৰিলে। গণপতি মন্দিৰৰ এচুকত বহি থাকিছিল। পূজা আগ কৰাৰ পাছত ভক্তহঁতৰ মাজত কোনোবা-কুনুবিয়ে গণপতিক অলপ অলপ পইচা-পাতি দিছিল; কিন্তু গণপতিয়ে কেতিয়াও কাৰোপৰা পইচা-পাতি নুখুজিছিল।

এইদৰে গণপতিৰ দিনবোৰ ৰাতিবোৰ পাৰ হৈ আছিল। এনেতে এদিন চুবুৰীয়া গাঁৱৰ চহকী বেপাৰী এজনে এই মন্দিৰৰ দেৱীৰ আগত মানস কৰিলে যে এইবাৰ কাৰবাৰত যদি ভাল লাভ হয়, এই মন্দিৰ তেওঁ ভালকৈ সংস্কাৰ কৰি দিব।

চিৰন্তন চহৰীয়া

আৰু মানস কৰা মতে বেপাৰীৰ লাভৰো উপৰি লাভ হ'ল। বেপাৰীয়েও তেওঁৰ কথা ৰাখিলে। মন্দিৰটো তেওঁ সংস্কাৰ কৰোৱালে। আৰু লগতে এই দেৱী যে জাগ্ৰতা—সেই কথাটোও দহোখন গাঁৱত প্ৰচাৰ কৰিলে। তাৰ ফলত এই আওপুৰণি পৰিত্যক্ত মন্দিৰ এতিয়া ভক্তহঁতৰ সমাগমত মুখৰ হৈ উঠিল। আৰু লগে লগে গণপতিৰো কপাল ফুলিল। আয়-উপাৰ্জনো বহুগুণে বাঢ়িল।

গণপতিৰ উপাৰ্জন বাঢ়িল, আৰু গাঁৱৰ কিছুমানৰ মনত গণপতিলৈ ঈৰ্ষাৰ জুই জ্বলিল। সিহঁতে এদিন গাঁৱৰ গাঁও-বুঢ়াক ক'লেগৈ, "কথা এটা হ'ল নহয় গাঁওবুঢ়া, এই গণপতি বোলাটো মন্দিৰত থাকে কিন্তু গোসাঁনীৰ সেৱা নকৰে, পূজা নকৰে, আনকি সি গোসাঁনীৰ নামটোকো মুখতো নানে-নালয়। এহেহেন এটাই এই পৱিত্ৰ মন্দিৰত কিয় থাকিব। সি কিয় লোকৰপৰা পইচা-পাতি ল'ব? আমাক আপুনি চকুচৰহা বুলি নাভাবিব দেই গাঁওবুঢ়া। আমাৰ মন্দিৰ গণপতিয়ে অপৱিত্ৰ কৰিছে বুলিহে আপোনাৰ কাষ চাপিছোঁ। কিবা এটা বিহিত কৰক।"

ঠিক তেতিয়াই দেশৰ ৰজাও এই গাঁৱলৈ আহিল। ৰজা গণগ্ৰামত অহাত গাঁওবুঢ়াই সকাহ পালে। ৰজাক গণপতিৰ কথা ক'লে গাঁওবুঢ়াই, গাঁৱৰ কিছুমানে যি কথা কৈছিল, তাকো ক'লে।

ৰজাই গণপতিক মতাই অনাই ক'লে, "গণপতি, তোমাৰ বিৰুদ্ধে গাঁৱৰ ৰাইজৰ অভিযোগ হ'ল যে—তুমি হেনো কোনো-দিনে গোসাঁনীক সেৱা-টেৱা নকৰা, পূজা নকৰা, অথচ গোসাঁনীৰ নামত পইচা-পাতি লোৱা। এই পইচাৰেহে তুমি হেনো পেট প্ৰৱৰ্তাইছা। তুমি হেনো মন্দিৰৰ পুৰোহিত! এতিয়া তুমিয়েই কোৱা, তোমাৰ নিচিনা নাস্তিক এটাই মন্দিৰত থকা আৰু ভক্তসকলৰপৰা টকা-

সিকা লোৱা উচিত হৈছেনে?"

গণপতিয়ে ৰজাক বিনম্রভাৱে ক'লে, "মহাৰাজ, মই আপোনাক প্রকৃত সত্যখিনি ক'ম। মই নিজক মন্দিৰৰ পুৰোহিত বুলি কেতিয়াও কোৱা নাই, আজিলৈকে কাৰোপৰা টকা-পইচা খুজি লোৱা নাই। পিছে—ভক্তইঁতে যিহকে উপযাচি দিয়ে—নোলোৱাকৈয়ো থকা নাই, লৈছোঁ। মই বহু চেষ্টা কৰিও কাম-বন পোৱা নাই, নিবনুৱাটো হৈ আছোঁ। আগতে গছ-তলত আশ্রয় লৈছিলোঁ, পাছত এই পৰিত্যক্ত আওপুৰণি মন্দিৰত। এই মন্দিৰলৈ কোনো দিনে কোনো মানুহ-দুনুহ অহা নাছিল, মই চাফা কৰাতহে দুই-চাৰি-দহ আহিবলৈ ধৰিলে। ভক্তইঁতে গোসাঁনীলৈ পূজা আগ কৰাৰ পাছত মোক দুই-চাৰিটাকৈ পইচা দিছিল!"

"যি মন্দিৰত তুমি আশ্রয় পালা, আহাৰ্য্য পালা, সেই মন্দিৰৰ বিগ্ৰহলৈ যেতিয়া তোমাৰ মন-কাণ নাই, তুমি নিশ্চয় নাস্তিকেই। তোমাৰ এই অপৰাধৰ ক্ষমাৰ অযোগ্য। তোমাক কঠিন শাস্তি দিয়া হ'ব।" ৰজাই ক'লে।

"মহাৰাজ, এইখন গাঁৱৰ দীননাথক যি শাস্তি দিব, মোকো সেই শাস্তিকে দিয়ে যেন।" গণপতিয়ে ক'লে।

"দীননাথক কোন? তাৰ অপৰাধ কি?" ৰজাই অবাক হৈ প্রশ্ন কৰিলে।

"দীননাথক হ'ল ধঁপাতৰ বেপাৰী। সি প্ৰতিদিন কেইবাহাজাৰো চুৰট বেচে।" গণপতিয়ে ক'লে।

"চুৰট বেচাটো অপৰাধনে কি?"

গণপতিয়ে সবিনয়ে ক'লে, "মহাৰাজ, দীননাথে ইমান চুৰট বেচে, কিন্তু সি এটাও নাখায়। আৰু চুৰট হোপাটো যে স্বাস্থ্যৰ পক্ষে অনিষ্টকৰ, সেই কথা লোকক কয়; কিন্তু তথাপি বেচে।"

ৰজাই অলপ পৰলৈ ভাবি ক'লে, "তোমাৰ বক্তব্য মই বুজি পাইছোঁ। দীননাথে চুৰটৰ অনিষ্টকাৰিতাৰ কথা লোকক কয় সততাৰ পৰিচয় দিয়ে, আৰু তুমিও ভকতৰ ভাও নুজুৰি সততাৰ পৰিচয় দিয়া। কিন্তু গোসাঁনীৰ প্ৰতি গভীৰ বিশ্বাস থকাহেঁতেন কিমান যে আনন্দ লভিলাহেঁতেন, নাজানা তুমি। যিগৰাকী গোসাঁনীত তোমাৰ যুটেই বিশ্বাস নাই, তেৱেঁই তেওঁৰ ভক্তহঁতৰ হতুৰাই তোমাক জীয়াই থকাৰ সমল যোগাইছে। কিন্তু তোমাৰ যি মনোভাৱ—নৈতিকতাৰ ফালৰপৰা ভাবি চালে—তুমি এই মন্দিৰত আশ্ৰয় লোৱা আৰু লোকৰ পইচা-পাতি লোৱাটো উচিত হৈছেনে বাৰু? তোমাক মই মন্দিৰৰ আশ্ৰয়ৰপৰা বঞ্চিত কৰিম। এয়ে হ'ব তোমাৰ শাস্তি।"

"মহাৰাজ, মই নিজ চেষ্টাৰে জৰাজীৰ্ণ অব্যৱহৃত মন্দিৰ পৰিষ্কাৰ কৰি ৰাইজৰো উপকাৰ সাধিছিলোঁ, নিজেও নিবনুৱা অৱস্থাৰপৰা মুক্তি পাইছিলোঁ। আপুনি মোক পুনৰ আশ্ৰয়চ্যুত কৰিলে, নিবনুৱা কৰিলে।" গণপতিয়ে ৰজাক স্পষ্টকৈ কৈ দিলে।

ৰজাই মিচিকীয়াই হাঁহি গণপতিক ক'লে, "তুমি আৰু নিবনুৱা হৈ নাথাকা আশ্ৰয়হীনো হৈ নাথাকা। মই তোমাক ৰাজকীয় কামত মকৰল কৰিম। মোৰ পৰীক্ষাত তুমি উত্তীৰ্ণ হ'লা।"

উত্তৰাকাণ্ড ৰামায়ণ

১

শ্ৰীৰামচন্দ্ৰই ৰাক্ষস বধ কৰাৰ অন্তত অযোধ্যালৈ উভতি গৈ সিংহাসনত অধিষ্ঠিত হোৱাৰ পাছত এটা ঘটনা ঘটিল। এদিন দেশৰ চাৰিওফালৰপৰা বহু সংখ্যক মুনি-ঋষি ৰাজপ্ৰাসাদৰ আগত উপস্থিত হ'লহি। এওঁলোকৰ মাজত অগস্ত্যমুনিও আছিল। এওঁলোকে প্ৰাসাদৰ দুৱৰীহঁতক ক'লে যে তেওঁলোকে ৰামচন্দ্ৰৰ সৈতে সাক্ষাৎ কৰিব। শ্ৰীৰামচন্দ্ৰই তৎক্ষণাৎ তেওঁলোকক প্ৰাসাদৰ ভিতৰলৈ সসন্মানে লৈ আহিবলৈ দুৱৰীহঁতক আদেশ দিলে।

শ্ৰীৰামচন্দ্ৰক পুনৰ সিংহাসনত অধিষ্ঠিত হোৱা দেখি মুনি-ঋষিগণে আনন্দ প্ৰকাশ কৰিলে। কিন্তু তেওঁলোকে এই কথাটো ক'লে যে ৰাৱণক বধ কৰাটো ৰামচন্দ্ৰৰ পক্ষে কোনো বীৰত্বব্যঞ্জক কাম নহয়। ৰাম-লক্ষ্মণৰ হাতত বহুতো বীৰ ৰাক্ষস মৰিল। তেওঁলোকৰ মতে ইও স্বাভাৱিক ঘটনা। কিন্তু লক্ষ্মণে যে ইন্দ্ৰজিতৰ দৰে অজেয় বীৰক বধ কৰিলে—এয়ে হ'ল এক অতি বিস্ময়কৰ ঘটনা।

ঋষিগণৰ কথা শুনি ৰামচন্দ্ৰই অতি বিস্মিত হৈ ভাবিলে: ৰাৱণ, কুম্ভকৰ্ণ, মহোদৰ, দেৱান্তক আৰু নৰান্তকৰ নিচিনা বীৰ ৰাক্ষসহঁততকৈয়ো ইন্দ্ৰজিৎ অধিক পৰাক্ৰমী আছিলনে? —মনত এনেবোৰ কথা ভাবি, ৰামচন্দ্ৰই ইন্দ্ৰজিতৰ সম্পৰ্কে জানিবলৈ কৌতূহলী হোৱাত অগস্ত্যমুনিয়ে

'পুলস্ত্য-বংশ-বৃত্তান্ত'

ৰাৱণৰ বংশবৃত্তান্ত-বিষয়ক কিছু কথা ৰামচন্দ্ৰক ক'লে। অগস্ত্যমুনিয়ে ক'লে ঃ

*

সত্যযুগত ব্ৰহ্মাৰ মানসপুত্ৰ, যিজনক দ্বিতীয় ব্ৰহ্মাৰূপেও বৰ্ণোৱা হয়, সেই পুলস্ত্যই তপস্যাৰ উদ্দেশ্যে মেৰু পৰ্বতাঞ্চলত থকা তৃণবিন্দুৰ আশ্ৰমলৈ গৈছিল। তাত পুলস্ত্যই তপস্যা কৰি থাকোঁতেই দেৱনাগ, ৰাজর্ষী কন্যাসকলে প্ৰতিদিন চিঞৰ-বাখৰ কৰি নাচি, গীত গাই হৈ চৈ কৰিছিল। পুলস্ত্যৰ তপস্যা ভংগ কৰিবলৈ এইদৰে আমনি দিয়াত পুলস্ত্যৰ উগ্ৰ খং উঠিল আৰু তেওঁ এই বুলি অভিশাপ দিলে যে—যিজনী তেওঁৰ সমুখেদি যাব সেই-জনীয়েই তৎক্ষণাৎ গৰ্ভৱতী হ'ব।

*

পুলস্ত্যৰ এই অভিশাপৰ কথা তৃণবিন্দুৰ জীয়েকে নাজানিছিল। তাই তাইৰ বান্ধৱী এজনীক বিচাৰি পুলস্ত্যৰ আশ্ৰমলৈ গ'ল। তেতিয়া পুলস্ত্যই তাত বেদ অধ্যয়ন কৰি আছিল। তাই পুলস্ত্যক দেখাৰ পাছৰে-পৰাই তাইৰ মাজত গৰ্ভৱতী হোৱাৰ চিন ফুটি ওলাল। তাই বৰ অস্বস্তি পোৱা যেন পালে। তাইৰ ঠিক কি হ'ল, কি পৰিৱৰ্তন হ'ল তাইৰ, একো ঠাৰৰ কৰিব নোৱাৰি দেউতাকক ক'লেগৈ, "দেউতা মোৰ গাটো একেবাৰে ভাল লগা নাই। মই মোৰ বান্ধৱী এগৰাকীক বিচাৰি পুলস্ত্যৰ আশ্ৰমলৈ গৈছিলোঁ। পুলস্ত্যক দেখাৰ পাছৰেপৰাই মোৰ গাটো কেনেবা কেনেবা লাগিছে যেন। মই একো ঠাৰৰ কৰিব পৰা নাই। কিয় মোৰ এনে হ'ল দেউতা?"

তৃণবিন্দুৱে পুলস্ত্যৰ অভিশাপৰ কথা জানিছিল, আৰু তেওঁৰ জীয়েক যে সন্তানসম্ভৱা হ'ল সেই কথাটো পৰিষ্কাৰ-ভাৱে বুজি পালে। তৃণবিন্দুৱে তেওঁৰ জীয়েকক লগত লৈ পুলস্ত্যৰ ওচৰলৈ গ'ল আৰু পুলস্ত্যক ক'লে, "হে মহান তাপস,

মই মোৰ কন্যাক তোমাৰ ওচৰলৈ লৈ আহিছোঁ। নিজৰ কন্যা বুলি কোৱা নাই, সত্য কথা কৈছোঁ, মোৰ কন্যাজনী অতি গুণৱতী। তুমি মোৰ কন্যাক পত্নীৰূপে গ্ৰহণ কৰা, তাইৰ সেৱাযত্নেৰে পৰিতুষ্ট হোৱা, এয়ে মোৰ অনুৰোধ।"

পুলস্ত্যাই তৃণবিন্দু অনুৰোধ দলিয়াই নেপেলাই, অনুৰোধলৈ সঁহাৰি জনালে।

*

পত্নীৰূপে বৰণ কৰি লোৱাৰ পাছত পুলস্ত্যাই লক্ষ্য কৰিলে যে তেওঁৰ পত্নী প্ৰকৃততেই গুণৱতী। পুলস্ত্যাই ক'লে, "তুমি মোৰ যোগ্য পত্নী। তুমি মোৰ সমতুল্য সন্তানৰ জননী হ'বা। সেই সন্তান গৰ্ভত থাকোঁতে তুমি মোক বেদ পাঠ কৰা শুনিছিলা, তাৰ কাৰণে সেই সন্তানেও বেদ শুনিলে। সেই সন্তানে সমগ্ৰ বিশ্বত বিশ্ৰবসু নামেৰে খ্যাত হ'ব।"

*

যথাসময়ত বিশ্ৰবসু উপজিল। ডাঙৰ হোৱাৰ পাছত বিশ্ৰবসুৱে সত্যবাদী, শান্ত আৰু শুচিতাসম্পন্ন পণ্ডিতৰূপে খ্যাতিলাভ কৰিলে। মহামুনি ভৰদ্বাজে বিশ্ৰবসুৰ সৈতে তেওঁৰ জীয়েকৰ বিবাহ পাতি দিলে। মহামুনি ভৰদ্বাজৰ জীয়েকৰ নাম আছিল দেৱৱৰ্ণিনী। কিছু কালৰ অন্তত বিশ্ৰবসু

এটি পুত্ৰৰ পিতৃ হ'ল। বিশ্ৰবসুৰ পুত্ৰ জন্ম গ্ৰহণৰ লগে লগে ব্ৰহ্মাই ক'লে যে বিশ্ৰবসুৰ পুত্ৰ বৈশ্ৰৱন অপাৰ ধন-সম্পদৰ গৰাকী হ'ব।

*

সৰুৰেপৰাই বৈশ্ৰৱন তপস্যালৈ মন মেলিলে। বৈশ্ৰৱন মহাৰণ্যত সোমাই কঠোৰ তপস্যাত ব্ৰতী হ'ল। কালক্ৰমে বৈশ্ৰৱনে জলভক্ষণ, বায়ুভক্ষণ, নিৰাহাৰ, দীক্ষা আদিত উত্তীৰ্ণ হৈ তিনিহাজাৰ বছৰ ধৰি নিৰৱচ্ছিন্নভাৱে তপস্যা কৰিলে। বৈশ্ৰৱনৰ এই সুদীৰ্ঘকালৰ তপস্যাত মুগ্ধ হৈ ইন্দ্ৰক লগত লৈ ব্ৰহ্মাই বৈশ্ৰৱনক

ক'লেহি, "বোপা বৈশ্ৰৱন, তোমাৰ তপস্যাত মই মুগ্ধ হৈছোঁ। তোমাক কি বৰ লাগে কোৱাঁ।"

বৈশ্ৰৱনে সবিনয়ে ক'লে, "মোক লোকপালন কৰাৰ ক্ষমতা আৰু অপাৰ সম্পদ লাগে।"

"বৰ ভাল বৰ খুজিছা, বোপা। ময়ো আন এজন লোকপালক সৃষ্টি কৰাৰ কথা ভাবি আছিলোঁ। ইন্দ্ৰ, যম আৰু বৰুণৰ দৰেই তুমি হ'বা চতুৰ্থ লোকপালক। মই তোমাক এই ৰথখনো দিছোঁ, এই ৰথত উঠি তুমি য'লৈকে ইচ্ছা যাব পাৰিবা। তুমি স্বৰ্গৰ দেৱতাসকলৰ দৰে সমান ক্ষমতাধিকাৰী হ'বা।" এই বুলি বৰ দি ব্ৰহ্মা তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

*

বৈশ্ৰৱনে তেওঁৰ দেউতাক ক'লেহি, "দেউতা, ব্ৰহ্মাই মোক দুটা বৰ দিলে; কিন্তু মই যে ক'ত থাকিম সেই বিষয়ত একো নক'লে। মোৰ কাৰণে আন কাৰোবাৰ অসুবিধা নোহোৱা ঠাইত মই থাকিবলৈ বিচাৰোঁ। এনেকুৱা ঠাই এডোখৰ মোক বিচাৰি দিয়া।"

পুত্ৰৰ কথাত তুষ্ট হৈ বিশ্ৰবসুৱে ক'লে, "বোপা বৈশ্ৰৱন, বিশ্বকৰ্মাই দক্ষিণ সমুদ্ৰতীৰত ত্ৰিকুট পৰ্বতৰ শিখৰত বিতোপন নগৰ এখন সাজিলে। সেই নগৰখনৰ নাম হ'ল লংকা। এই নগৰৰ অট্টালিকাৰ



স্তম্ভবোৰ সোণেৰে নিৰ্মিত। সমগ্ৰ নগৰত জলপ্ৰবাহৰ ব্যৱস্থা আছে। এই নগৰখন পোনতে ৰাক্ষসহঁতৰ বাবে নিৰ্মিত হৈছিল। কিন্তু তাত বিষ্ণুক দেখা পাই ৰাক্ষসহঁত পাতাললৈ পলাই গ'ল। এই নগৰ এতিয়া সম্পূৰ্ণভাৱে নিৰ্জন-নিমাওমাও। তাত যদি তুমি থাকাগৈ—তোমাৰ কাৰণে কাৰো কোনো অসুবিধা হোৱাৰ প্ৰশ্ন নাই।"

বহুসংখ্যক অনুচৰ লগত লৈ বৈশ্ৰৱন বিতোপন লংকাপুৰীলৈ গ'ল আৰু তাত থাকি সেই দেশ শাসন কৰিবলৈ ধৰিলে।

*

অগস্ত্যৰ মুখে এই কথা শুনি ৰামচন্দ্ৰই অগস্ত্যক ক'লে, "হে মহাত্মা, ৰাক্ষসগণ যে পুলস্ত্য-বংশজাত, সেই কথা মই শুনিছিলোঁ। কিন্তু পুলস্ত্যৰ আগতেও যিসকল ৰাক্ষস লংকাত আছিল, তেওঁলোকৰ আদিপুৰুষ কোন—ক'বনে ?"

*

তেতিয়া ৰামচন্দ্ৰৰ প্ৰশ্নৰ উত্তৰত মহামুনি অগস্ত্যই ৰামচন্দ্ৰৰ সমীপে ক'লেঃ

কমলত জন্মগ্ৰহণ কৰাৰ পাছত ব্ৰহ্মাই জল সৃষ্টি কৰিলে। সেই জলক সুৰক্ষিত ৰাখিবলৈ কিছুমান প্ৰাণীক স্ৰজিলে ব্ৰহ্মাই। সেই প্ৰাণীবিলাকে ভোকত আতুৰ হৈ ব্ৰহ্মাক সুধিলে, "আমাৰ কাম কি ?' ব্ৰহ্মাই ক'লে, "এই জল সুৰক্ষাৰ চেষ্টা কৰিবা।' লগে লগে কিছুমানে

কৈ উঠিল, "আমি এই পানীৰ ৰক্ষক হ'ম।' আৰু আন কিছুমানে কৈ উঠিল, 'আমি হ'ম এই পানীৰ ভক্ষক।' পৰৱৰ্তীকালত যিবিলাক ৰক্ষক হ'ল, সিহঁত হ'ল ৰাক্ষস ; আৰু যিহঁত ভক্ষক হ'ল সিহঁত হ'ল যক্ষ।

ৰাক্ষসহঁতৰ মাজত হেতী আৰু প্ৰহেতী নামৰ দুটা ভায়েক-ককায়েক আছিল। প্ৰহেতী তপস্যা কৰিবলৈ গুচি গ'ল। কিন্তু হেতীয়ে বিয়া কৰাৰ ইচ্ছা কৰি বিচাৰি-খোচাৰি যমৰ ভনীয়েক ভয়াক দেখা পালে। ভয়া দেখাতো ভয়াল আৰু দেহাতো ভলুকা।

যি কি নহওক, বিয়া হৈ গ'ল, আৰু বিয়াৰ পাছত সিহঁতহালৰ এটি পুত্ৰ উপজিল। এই পুত্ৰটিৰ নাম বিদ্যুৎকেশ। পুত্ৰ ডাঙৰ হোৱাৰ পাছত হেতীয়ে সন্ধ্যাৰ কন্যা সালকটংকটৰ সৈতে তাৰ বিয়া পাতি দিলে আৰু সিহঁত সুখেৰে মন্দৰ পৰ্বতত থাকিবলৈ ল'লে।

*

কিছুকালৰ অন্তত সিহঁতহালে এটি পুত্ৰসন্তান লভিলে। কিন্তু তথাপি— সালকটংকটৰ মন পুত্ৰক ডাঙৰ-দীঘল কৰাতকৈ ঘূৰি ফুৰালৈহে ঢাল খাইছিল। এবাৰ তাই পুত্ৰক এৰি থৈ এঠাইলৈ ফুৰিবলৈ গুলাইছিল।

শিশুপুত্ৰটিয়ে মুখত আঙুলি ভৰাই কান্দি আছিল। ঠিক তেতিয়াই বৃষবাহনৰ পিঠিত উঠি পাৰ্বতী-পৰমেশ্বৰ আকাশপথেৰে গৈ আছিল। তেওঁলোকে শিশুটিৰ প্ৰতি দয়া-পৰবশ হৈ তাক চিৰজীৱি হোৱাৰ বৰ দিলে। মাথোন ইমানেই নহয়, তাক আকাশত উৰিবপৰা নগৰ এখনো দিলে! পৰৱৰ্তীকালত সেই শিশুটিৰ নাম হ'ল সুকেশ। ৰাক্ষস হিচাপে সুকেশ আছিল যথেষ্ট ঐশ্বৰ্য্যশালী। তাৰ আছিল এখন ভ্ৰাম্যমান নগৰ। সকলো ফালৰেপৰাই সুকেশ ইন্দ্ৰৰ সমকক্ষ হৈ

উঠিল। ধৰ্মপৰায়ণ ৰূপেও সুকেশৰ খ্যাতি বিয়পি পৰিল। তেতিয়া গ্ৰামনী নামৰ এগৰাকী গন্ধৰ্বই নিজৰ কন্যা দেৱবতীৰ সৈতে সুকেশৰ বিয়া পাতি দিলে। দেৱবতী আছিল ত্ৰিলোকসুন্দৰী। তিনিও লোকত তাইৰ মান সুন্দৰী নাছিল।

বিয়াৰ পাছত দেৱবতীৰ তিনিটি পুত্ৰসন্তান হ'ল। এই তিনিটি পুত্ৰৰ নাম যথক্ৰমে মাল্যৱন্ত, সুমালী আৰু মালী। তিনিওটি পুত্ৰয়েই আছিল শক্তিমান আৰু নিৰ্ভীক। সিহঁতৰ পিতৃয়ে স্বয়ং শিৱৰপৰা বৰ লাভ কৰাৰ কথা শুনি সিহঁতেও মেৰু পৰ্বতলৈ গৈ কঠোৰ তপস্যা আৰম্ভ কৰিলে। সিহঁতৰ ঘোৰ তপস্যাৰ কথা শুনি ব্ৰহ্মাই ইন্দ্ৰক লগত লৈ ৰথত উঠি তালৈ আহি ক'লে, "তোমালোকৰ তপস্যাত মই তুষ্ট হৈছোঁ। যি কি নহওক—তোমালোকক কিবা বৰ লাগে যদি কোৱা।"

সিহঁতে ব্ৰহ্মা আৰু ইন্দ্ৰক প্ৰণাম কৰি ক'লে, "হে প্ৰভু, আপুনি আমাৰ তপস্যাত তুষ্ট হোৱাত আমি অনুগৃহীত হৈছোঁ। দিয়ে যদি—আমি কেতিয়াও কাৰো ওচৰত পৰাজিত নোহোৱাৰ, শত্ৰুক বধ কৰিব পৰাৰ, আৰু দীৰ্ঘায়ু হোৱাৰ বৰ দিয়ক।" ব্ৰহ্মাই সিহঁতক সিহঁতৰ প্ৰাৰ্থিত বৰ দি গুচি গ'ল।

এই তিনিটা বৰ লাভ কৰি মাল্যৱন্ত, সুমালী আৰু মালীয়ে তিনিও লোকতে সিহঁতৰ অত্যাচাৰ চলাই থাকিল। এই তিনিও লোকত থকা দেৱতা, ঋষি, সিদ্ধপুৰুষ আৰু মুনিসকলে নৰকযাতনা ভুঞ্জি থাকিল। ইহঁতৰ অত্যাচাৰৰপৰা ৰক্ষাৰ কোনো ক'তো নাই বুলিয়েই তেওঁলোকে ধৰি ল'লে।

তিনিও ৰাক্ষসে বিশ্বকৰ্মাক ক'লে, "তুমি দেৱতাহঁতক স্বৰ্গখন সাজি দিছা। গতিকে—হিমালয়ত বা মেৰু পৰ্বতত বা মন্দৰ পৰ্বতত আমাকো কৈলাসহেন এখন বিতোপন নগৰ সাজি দিয়া।"

বিশ্বকৰ্মাই ক'লে, "দক্ষিণ সমুদ্ৰৰ তীৰত ত্ৰিকূটমণি আৰু সুবেলমুনি নামৰ দুটা পৰ্বত আছে। ইন্দ্ৰৰ অনুৰোধত ত্ৰিকূট পৰ্বতৰ ওপৰত স্বৰ্গৰ সমতুল লংকাপুৰী সাজি থৈছোঁ। তাত থকা অসংখ্য অট্টালিকাৰ স্তম্ভবোৰ সোণেৰে নিৰ্মিত। তোমালোকে ৰাক্ষসকুলক লৈ সোণেৰে নিৰ্মিত লংকাপুৰীলৈ যোৱা আৰু অতি সুখেৰে তাতে থাকাগৈ।"

বিশ্বকৰ্মাৰ কথা শুনি তিনিও ভালেই পালে আৰু কেইবা হাজাৰো ৰাক্ষস-পৰিয়াল লগত লৈ লংকাপুৰীলৈ গ'ল।

*

তাত নৰ্মদা নামৰ গন্ধৰ্ব নাৰী এগৰাকীয়ে নিজৰ পৰমাসুন্দৰী তিনিজনী ছোৱালীৰ সৈতে মাল্যৱন্ত, সুমালী আৰু মালীৰ অতি ধুমধামৰে বিয়া পাতি দিলে।

*

মাল্যৱন্তৰ পত্নীৰ নাম সুন্দৰী। সুন্দৰীৰ গৰ্ভত বজ্ৰমুষ্টি, বিৰূপাক্ষ, দুৰ্মুখ, সুপ্তঘ্ন, যজ্ঞকোপ, মত্ত আৰু উন্মত্ত নামৰ সাতটি পুত্ৰ আৰু অসংখ্য কন্যা উপজিল। সুমালীৰ পত্নী কেতুমতিৰ গৰ্ভত প্ৰহস্ত, অকম্পন, বিকট, কালকামুখ, ধূম্ৰাক্ষ, দন্ত, সুপাৰ্শ্ব, সংহ্লাদী, প্ৰস্থন, ভাসকৰ্ণ নামৰ পুত্ৰ আৰু পুষ্পোতকট, কৈকসী, শুচিস্মিতা, কুম্ভীনসী কন্যাসকল জনমিল। মালীৰ পৰমাসুন্দৰী পত্নীৰ গৰ্ভৰপৰা উপজিল অনিল, অনল, হৰ আৰু সম্পাতী নামৰ চাৰিটি পুত্ৰ। এই চাৰিজন পাছত বিভীষণৰ মন্ত্ৰী হৈছিলগৈ।

*

এইদৰে, মাল্যৱন্ত, সুমালী আৰু মালীয়ে সপৰিয়ালে তথা সদলবলে লংকা-পুৰীত থাকি তিনিও লোকত অতি আনন্দৰে ভ্ৰমি ফুৰিছিল। সিহঁতে অসংখ্য যজ্ঞ ধ্বংস কৰিছিল স্বৰ্ণলংকাতো অনাচাৰ-কদাচাৰ নকৰাকৈ নাছিল আৰু সদম্ভে তিনিও লোকতে অত্যাচাৰ কৰিছিল।

অজাত

জীয়াই থকালৈকে প্ৰাণনাথে সাৰুসুৰা চুৰি-চাপাচী কৰিয়েই কাটাইছিল। সি আছিল মিছলীয়া আৰু ঠগ। মৰাৰ পাছত যমৰ টেকেলাই'তে প্ৰাণনাথক নৰকৰ দুৱাৰমুখত পেলাই থৈ গুচি গ'ল। তাত সৰু সিংহাসনৰ দৰে আসন এখনৰ ওপৰত নৰকৰ দুৱৰী বহি আছিল।

ইকথা-সিকথাৰ পাছত প্ৰাণনাথে নৰকৰ দুৱৰীক ক'লে, "শুনক, মোৰ আয়ুস নোহোৱা হোৱাতহে যমৰ টেকেলাই মোক ইয়ালৈ লৈ আহিল। আমাৰ গাঁৱত চাৰিজন প্ৰাণনাথ আছে। মোৰ ধাৰণা, আন কোনোবা প্ৰাণনাথৰ সলনি ভুল কৰিহে মোকেই ইয়ালৈ লৈ আহিছে। আপুনি দয়া কৰি এই বিষয়ত অলপ অনুসন্ধান কৰি চাবনে ? চিত্ৰগুপ্তৰ বহীখন চালেই আচল কথা ওলাই পৰিব।"

প্ৰাণনাথৰ কাবৌ-কাকুতি এৰাব নোৱাৰি নৰকৰ দুৱৰীয়ে প্ৰকৃত অৱস্থাৰ বুজ ল'বলৈ ভিতৰলৈ গ'ল। আৰু লগে লগে প্ৰাণনাথে দুৱৰীৰ আসনখন মূৰৰ ওপৰত দাঙি লৈ চিঞৰি চিঞৰি কৈ থাকিল, "এই আসনখন অতি মূল্যৱান। এইখন যিজনে কিনিব, তেওঁ গুপুতে ইয়াৰপৰা আঁতৰ কৰি দিয়ে যেন।" এই বুলি কোৱাৰ পাছত সি তাৰপৰা পলাই পত্ৰং দিবলৈ খোজ বঢ়ালে। আৰু লগে লগে চিত্ৰগুপ্তও তাত ওলালহি আৰু প্ৰাণনাথক গৱা মাৰি ধৰি ক'লে, "তোমালোকৰ গাঁৱত যিকেইজন প্ৰাণনাথ আছে—আটাইতকৈ প্ৰাণহীন পাপী প্ৰাণনাথ হ'লা তুমি। তুমি হ'লা অসন্ত-অজাত প্ৰাণনাথ। তোমাকহে লাগে আমাক।" দুৱৰীয়ে প্ৰাণনাথক ঠেলি-হেঁচি নৰকৰ এন্ধাৰলৈ বগৰাই দিলে।

বহিখোৱা ফুকন

জয়ৰাম আছিল মীলমাৰি গাঁৱৰ জমিদাৰ। এনিশা চাঙৰ ওপৰত দপদপনি শুনি জয়ৰাম শোৱাৰপৰা পোন কোবে উঠি বহিল। জয়ৰামে কোঠাটোৰ চাৰিওফালে চাবলৈ ধৰিলে ; কিন্তু কাকো ক'তো দেখা নাপালে। অথচ শব্দ উঠিয়েই থাকিল। জয়ৰামে গৰ্জি উঠি ক'লে, "কোন—" কিন্তু কোনেও এই কথাৰ উত্তৰ নিদিলে। পিছে—

পাছ মুহূৰ্ততে বাঁহৰ গাধৈৰপৰা নামি আহি কিবা এটা তাৰ আগত থিয় হ'লহি। তাক দেখি জয়ৰামে চমক খাই কৈ উঠিল, "কোনহে তুমি !"

জয়ৰামৰ আগত থিয় হৈ থকাটোৱে হো হোৱাই হাঁহি উঠি ক'লে, "মই কোন—দেখা নাই ? ইমান কঁপি আছা কিয় ? ভয়নো কিহলৈ ? মই যে ভূত—সেই কথাটোও কৈ দিব লাগিবনে ? আমাৰ ঘৰত যে হৈ-চৈ হুলস্থুল ! সেই দেখি মাই মোক ক'ৰবালৈ গৈ খেলি থাকিবলৈ ক'লে। তোমাৰ ঘৰৰ চাঙেই খেল-ধেমালিৰ যোগ্য ঠাই। বৰ ভাল পাইছোঁ ইয়াত খেলি। মই খেলোঁ, তুমি দীঘল দিয়া।"

"তোমাৰ যি ইচ্ছা কৰা।" এই বুলি কৈ, জয়ৰাম জমিদাৰে আকৌ শুলে। আৰু ভূতটোৱে একেজাঁপে সেই চাঙৰ ওপৰত উঠিলেগৈ। আৰু উঠিয়েই আকৌ তুপ-তুপাই খেলিবলৈ ধৰিলে।

ৰাতি পুৱাৰ আগে আগে পোৱালি ভূতটোৱে জয়ৰামক ক'লে, "তোমাৰ কোঠাটো মোৰ বৰ পচন হৈছে। খেল-ধেমালি কৰিবলৈ এই কোঠাটো বঢ়িয়া।

সনাতন শৰ্মা

এতিয়া যাওঁ দেই? আকৌ আহিম।"
এই বুলি কৈ ভূতৰ পোৱালিটো গুচি গ'ল।

জয়ৰামৰ বয়স পঞ্চাছতকৈয়ো বেছি। দুবছৰৰ আগত তেওঁৰ পৰিবাৰ ঢুকাল। ল'ৰা এটি আছে। তাৰ নাম ৰঘুৰাম। ৰঘুৰামৰ ঘৈণীয়েক — মানে — জয়ৰামৰ বোৱাৰীয়েকৰ নাম জানকী। জানকী বৰ ভাল ছোৱালী। তাই জয়ৰামক বৰ সেৱা-যত্ন কৰে।

ৰাতিৰ ঘটনাটোৰ কথা জয়ৰামে তেওঁৰ পো-বোৱাৰীক ক'লে। সকলো কথা শুনাৰ অন্তত ৰঘুৱে ক'লে, "চোৱা দেউতা, ভূত বোলা একো নাই, থাকিব নোৱাৰে। এইবিলাক আমাৰ মনৰ ভুল। তুমি চাগে ভূতৰ সপোন দেখিছিল।"

বোৱাৰীয়েক জানকীয়ে ক'লে, "দেউতা, আজি ৰাতি আপুনি আমাৰ কোঠাত শুবহি, আৰু আমি আপোনাৰ কোঠাত শুম।"

জয়ৰাম জমিদাৰ ৰংমনে ৰাজী হ'ল। ৰাতি টোপনিয়ে জোকাই লৈছেহে— লগে লগে দুপদুপনি আৰম্ভ হৈ গ'ল আৰু জয়ৰামৰো টোপনিৰ জাল ছিগিল। চকু মেলি চায়েই দেখে—সেই ভূতৰ পোৱালি! জয়ৰামে একো ক'বলৈ নৌ পাওঁতেই পোৱালি ভূতে পেঁচ পাতি ক'লে, "ময়েই দুপদুপাইছোঁ। তোমাক টোপনিৰপৰা জগাবলৈহে দুপদুপাইছোঁ।"

"কিয় এনেবোৰ অসভ্যালি কৰিছা?" জয়ৰাম জমিদাৰৰো উঠিল খং।

"যিটো কোঠাৰ চাঙৰ ওপৰত খেলি মই ভাল পাওঁ—তুমি তাতে শোৱাগৈ। সিহঁত দুটাক সেই কোঠাৰপৰা উলিয়াই দিয়াগৈ। তুমি তাতে থাকিবা।" ভূতৰ পোৱালিয়ে জয়ৰাম জমিদাৰক আদেশ কৰাৰ দৰে ক'লে।

"মই ইয়াতে শুম।" জয়ৰামে ক'লে।

"তুমি যদি মোৰ কথা নুশুনিছা, বাটৰ জাৱৰ-জোথৰ আটাইবোৰ এই কোঠাত দ'মাই থ'মহি। মই ভালত ভাল,

বেয়াত বেয়া। মই খং উঠিলে খাই-কহ।"

ৰাতিপুৱা জয়ৰামে ভয় খাই পুতেকক সকলো কথা ক'লে। পুতেক ৰঘুৱে ক'লে, "এইবোৰ তোমাৰ মনৰ ভুল, দেউতা। তুমি মিছাতে ভয় খাইছা।"

জানকীয়ে ক'লে, "ভুতে যদি বাটৰ জাবৰ-জোথৰ আনি ইয়াত দ'মায়—দমাওক, মই চাফা কৰিম। আপুনি নদমিব। আপুনি আমাৰ কোঠাত শুব।"

কিন্তু সিদিনাও ৰাতিৰ পৰতে ভূতৰ পোৱালিয়ে জয়ৰামক টোপনিৰপৰা জগাই তুলিলে। জয়ৰামে খঙাল মাতেৰে ক'লে, "তুমি যদি কোঠাটোত জাবৰ-জোথৰ পেলাব খুজিছা—পেলোৱা, কুছ পৰোৱা নাই, বোৱাৰীয়ে চাফা কৰিব।" এই বুলি কৈ জয়ৰামে বাগৰ সলাই শুলে।

পোৱালি ভুতে জয়ৰামৰ মুখৰ মাত নোলাব পৰাকৈ আন এটা কোঠালৈ নি পেলাই থ'লে। তাৰ পাছত সি নিজেই জয়ৰাম জমিদাৰৰ ভেশ লৈ ৰঘুৰামৰ কোঠাৰ দুৱাৰত টুকুৰিয়ালেগৈ।

ৰঘুৰামে কোঠাৰ দুৱাৰ খুলি জয়ৰামক ক'লে, "কি হ'ল, দেউতা? ভুতটো আকৌ আহিছিলনে কি?"

"এ—নহয় অ'। তহঁতৰ কথাহে ঠিক। ভূত-টুত চব ভুৱা—চব মনৰ ভুল। পিছে—মোৰ সিটো কোঠাত টোপনিয়েই ধৰা নাই। নিজৰ বিছনাত নুশুলে টোপনি



নধৰিব চাগে'।" জয়ৰামৰ ৰূপ লোৱা পোৱালি ভূতে ৰঘুক ক'লে।

ৰঘুৰাম আৰু জানকীয়ে কি আৰু কৰে, জয়ৰামৰ কোঠা এৰি নিজৰ কোঠালৈ গ'ল। আৰু লগে লগে পোৱালি ভূতে মাত-বোল কৰিব নোৱৰা জয়ৰামক এইটো কোঠালৈ লৈ আহিল আৰু জয়ৰামৰ মাত-বোল কৰাৰ ক্ষমতা ঘূৰাই দিলে। জয়ৰামে বিৰক্ত হৈ ক'লে, "তুমি মোক এইদৰে জল-কলা কৰি মাৰিছানো কিয়? কি কৰিলে তুমি মোক এৰি যাবা, কোৱাচোন?"

"মই তোমাক কৈছোঁৱেই যে তোমাৰ কোনো অনিষ্ট মই নকৰোঁ। মই ইয়াত খেলিম, বছ। আৰু তুমি ইয়াত থাকিবা। আৰু একো মোক নালাগে।" ভূতৰ পোৱালিয়ে ক'লে।

"ঠিক আছে, মই মোৰ পো-বোৱাৰীক মাতি আনোগৈ ৰ'বা। সিহঁতে তোমাক শাস্তি দিব।" জয়ৰামে ক'লে।

"সিহঁতে তোমাৰ কথা বিশ্বাসেই নকৰিব। তাৰ মুদা মই মাৰি থৈছোঁৱেই।" এই বুলি কৈ, ভূতৰ পোৱালিয়ে অলপ সময়ৰ আগতে যি কাণ্ড কৰিছিল, জয়ৰামক ক'লে। শুনি জয়ৰামৰ মূৰটো আচন্দ্ৰাই কৰি উঠিল। জয়ৰামৰ একদম টোপনি নধৰিল। ৰাতিও পুৱাল, ভূতো গুচিল। জয়ৰামে ভাবিলেঃ কিবা এটা কৰি





এই ভূতৰ পোৱালিৰ কবলৰপৰা যেনে-তেনে ৰেহাই ল'ব লাগিব।

ৰাতিপুৱা চুবুৰীয়া গাঁৱৰপৰা এজন আত্মীয়ই চিঠি এখন লৈ আহিল। জয়ৰামৰ আত্মীয় এজনৰ বিয়া, তাৰৈ সপৰিয়ালে বিয়াৰ নিমন্ত্ৰণ।

এজন বিশ্বাসী হালোৱাক ঘৰৰ পৰীয়া হিচাপে দায়িত্বত থৈ জয়ৰাম জমিদাৰ সপৰিয়ালে বিয়া খাবলৈ গ'ল।

আৰু প্ৰায় পোন্ধৰ দিন বিয়া ঘৰতে কটাই, ঘৰলৈ উভতি আহিয়েই জয়ৰামে পৰ দি থকা হালোৱা হৰকান্তক সুধিলে, "বোপা, কথা এটা সোধোঁ। ৰাতি তুমি ভালকৈ টোপনিয়াব পাৰিছিলানে?"

হৰকান্ত হালোৱাই অবাক মানি ক'লে, "কিয় কওকচোন? মই দেখোন সদায়—দিনে-নিশাই—টোপনিয়াইছিলোঁ।"

জয়ৰামে হৰকান্তক আৰু একো নুসুধি বিদায় দিলে। তেতিয়াৰপৰা জয়ৰামৰ ঘৰত আৰু কেতিয়াও কোনো ভূত সোমোৱা নাছিল।

কিন্তু কেইদিনমানৰ পাছত চুবুৰীয়া মহিলা এগৰাকীয়ে জানকীক ক'লে, "আমাৰ ঘৰৰ এটা কোঠাৰ চাঙত ভূতে দপদপায়, মোৰ শহুৰদেউতাই টোপনিয়াব নোৱাৰে। আমি কোনেও ভূতটোক দেখা নাই; কিন্তু তেওঁ দেখা পায়। আমি—এয়া তেওঁৰ দৃষ্টিবিভ্ৰম বুলি ভাবিছিলোঁ, কিন্তু তেওঁৰ কথা শুনি—কথা সঁচা বুলিহে ধাৰণা হৈছে।"

তেতিয়া জানকীয়ে তাইৰ শহুৰেকৰ কথাটোও মহিলা গৰাকীক নকৈ নোৱাৰিলে। সকলো কথা কোৱাৰ অন্তত তাই মন্তব্য কৰিলে, "পিছে—মোৰ শহুৰদেউতাই কেনেকৈ যে ভূতৰ পো-ক খেদিলে, মই ক'ব নোৱাৰোঁ।"

পাছদিনা চুবুৰীয়া মহিলাগৰাকীৰ শহুৰেক সুধন্তই জয়ৰাম জমিদাৰক সকলো কথা ক'লেহি। তেতিয়াহে জয়ৰাম ভূতৰ

অস্তিত্বৰ সম্পৰ্কে নিঃসন্দেহ হ'ল।

জয়ৰামে সুধন্যক ক'লে, "আজি ৰাতি মই আপোনাৰ কোঠাত শুম। মোৰ ঘৰলৈ আৰু আপোনাৰ ঘৰলৈ অহা ভূত একেটাইনে কি—চাম মই।"

কথামতে কাম, সুধন্যৰ শোৱাকোঠাত শুলেগৈ জমিদাৰ জয়ৰাম।

আৰু ভূতৰ পোৱালিও যথাৰীতি আহিল। ভূতে জয়ৰামক, জয়ৰামেও ভূতক ভালকৈ চিনি পালে। ভূতৰ পোৱালিক জয়ৰামে ক'লে, "তুমিনো এইদৰে সকলোকে জলা-কলা কৰি মাৰিছা কিয়? আৰু মোক এৰি ইয়াতেইবা লম্ভিছা কিয় কোৱাচোন?"

"আচল কথা হ'ল—মই খেলি থাকোঁতে কাৰোবাক জলা-কলা নকৰিলে একেবাৰেই নজমে। আৰু—তুমি পৰীয়া হিচাপে থৈ যোৱা সেই হালোৱাটো যেনিবা এটা কুম্ভকৰ্ণহে আছিল। গতিকে তোমাৰ ঘৰ এৰি নগৈনো কি কৰিম? যি কি নহওক, ইয়াত মই ভালেই আছোঁ।" ভূতে ক'লে।

জয়ৰামে সুধন্যক কথাবোৰ ক'লে। দুয়ো এই কথাটো ভালকৈ উপলব্ধি কৰিলে যে ভূতৰ কবলৰপৰা ৰেহাই পাবলৈ হ'লে টোপনিত প্ৰকৃততেই লাল-কাল দিব লাগিব। আৰু—কঠোৰ দৈহিক শ্ৰম নকৰিলে গভীৰ নিদ্ৰা সম্ভৱ নহয়। এলেহুৱা বা পৰৰ শ্ৰমৰ ওপৰত বহি খোৱা ফুকনহঁতে অলপমান শব্দ উঠিলেই সাৰ পাই যায়।

এই কথা ভালকৈ উপলব্ধি কৰি জয়ৰাম আৰু সুধন্যয়ো নিজেই খেতিবাতি কৰিবলৈ ধৰিলে। তাৰ ফলত ৰাতি দুয়োজনৰ গভীৰ টোপনি হৈছিল আৰু ভূতৰ পোৱালিটোও এই দুজনক এৰি আন কোনোবা বহি খোৱা ফুকনক বিচাৰি তাৰপৰা গুচি গৈছিল।

বজ্জাত

গোলকত এজন যুৱকক অনাই-বনাই ঘূৰি ফুৰা দেখি প্ৰহৰীয়ে তাক ডাবি মাৰি সুধিলে, "তুমি কোন? কিয় এনেকৈ ঘূৰি ফুৰিছা? তোমাৰ নিশ্চয় কিবা মতলব আছে।"

"তোমালোকৰ মাত-বোল মই বুজি নাপাওঁ।" যুৱকে নম্ৰভাৱে ক'লে।

সেই অঞ্চলৰ কতোৱালে ওচৰ-পাজৰৰ ভালেমান অঞ্চলৰ মাত-বোল জানিছিল। প্ৰহৰী সৌৰীনাথে যুৱকক কতোৱালৰ ওচৰলৈ লৈ গ'ল আৰু সকলো কথা কোৱাৰ অন্তত মন্তব্য কৰিলে, "ইয়েই চাগৈ হামিদপুৰৰ ৰত্নশ্ৰেঠক খুন কৰিলে। আপুনি ইয়াক জেৰা কৰি সঁচা কথাখিনি উলিয়াই লওক।"

কতোৱালে আন একো নুসুধি খাপৰপৰা তৰোৱালখন উলিয়াই চিধাই যুৱকৰ বুকুলৈ টোঁৱাই ধৰি ৰত্নশ্ৰেঠক খুন কৰিলেনে কি সোধাত যুৱকে স্বীকাৰ কৰিলে যে ৰত্নশ্ৰেঠক সি খুন কৰিলে।

কতোৱালে সৌৰীনাথক ক'লে কথাটো। তেতিয়া সৌৰীনাথে কতোৱালক ক'লে, "ৰত্নশ্ৰেঠৰপৰা কাঢ়ি লোৱা বিছহাজাৰ সোণৰ মুদ্ৰা ক'ত থৈছে সি—সোধকচোন।"

কতোৱালৰ প্ৰশ্নৰ উত্তৰত যুৱকে ক'লে যে সেই মুদ্ৰা বিছহাজাৰ সি এটা গুহাৰ ভিতৰত থৈ দিছে। সেই গুহাটো কোনখিনিত আছে তাকো কৈ দিলে সি। তাৰ পাছত সি ক'লে, "চাওক ককাইদেউ, আপোনালোকেই সোণৰ মুদ্ৰাখিনি লওক আৰু মোক এৰি দিয়ক। মোৰ বুঢ়ী মা দেউতাই মোলৈ বাট চাই বহি আছে।"

যুৱকে কি ক'লে প্ৰহৰী সৌৰীনাথে কতোৱাল সোধাত কতোৱালে ক'লে, "সি কৈছে যে ৰত্নশ্ৰেঠক খুন কৰি যি বিছহাজাৰ মুদ্ৰা সি আনিছিল, আটাইখিনি খৰচ হৈ গ'ল, একপইচাও নাই।—মোৰ ধাৰণা, ইয়াক এৰি দিয়াটোৱেই ভাল হ'ব। নহ'লে আমিও বেমেজালিত সোমাই পৰিব পাৰোঁ।"

কতোৱালৰ কথা শেষ হোৱাৰ অন্তত যুৱকে তাৰ জেপৰপৰা এখিলা কাগজ উলিয়াই অনাৰ লগে লগেই কতোৱাল শেঁতা পৰিল আৰু বেঙে মৃতা গৰুৰ দৰে কঁপিবলৈ ধৰিলে। এই কাগজখিলাই কৈ দিছিল যে এই যুৱক হ'ল দেশৰ ছুলতানৰ প্ৰধান পৰামৰ্শদাতা।

"তোমাৰ বজ্জাতিৰ বিৰুদ্ধে বহুতো অভিযোগ পোৱাৰ পাছত ছুলতানৰ নিৰ্দেশত মই এই অভিনয় কৰিলোঁ।" যুৱকে কতোৱালক বন্দী কৰি ছুলতানৰ ওচৰলৈ লৈ গ'ল।



ৰৰাহ-মিহিৰ

কোনোবা এখন দেশৰ ৰজাই মাজে-মধ্যে তেওঁৰ মহামন্ত্ৰীক লগত লৈ, ছদ্মবেশ ধাৰণ কৰি দেশৰ বিভিন্ন প্ৰান্তত ভ্ৰমি ফুৰিছিল। দেশৰ পৰিস্থিতিৰ বুজ-বাজ লোৱা আৰু তাৰ প্ৰতিকাৰৰ চেষ্টা কৰাটোৱেই আছিল গুপ্ত ভ্ৰমণৰ উদ্দেশ্য।

এবাৰ ছদ্মবেশ ধাৰণ কৰি ৰজা আৰু মন্ত্ৰীক গৈ গৈ থিয় দুপৰ বেলিকা এখন গাঁও পালেগৈ। গাঁৱৰ এটা ঘৰৰ বাৰান্দাত এজন ওখ-পাখ আৰু পাতল সেউজ বৰণীয়া যুৱকক থি হৈ থকা দেখা পাই ৰজা আৰু মহামন্ত্ৰীয়ে সেই যুৱকক কেইটিমান প্ৰশ্ন কৰিলে।

এই যুৱকৰ নাম মিহিৰ। মিহিৰে ছদ্মবেশী ৰজা আৰু মন্ত্ৰীক তাৰ ঘৰত আলহী হ'বলৈ অনুৰোধ কৰিলে। মিহিৰৰ নামটো ৰজাই জানিছিল। তেওঁ জানিছিল যে এই গাঁৱত মিহিৰ নামৰ বিখ্যাত জ্যোতিষী এজন আছে।

মিহিৰ কিমান ডাঙৰ জ্যোতিষী, তাৰ পৰীক্ষা লোৱাৰ মন গ'ল ৰজাৰ। ৰজাই মিহিৰ জ্যোতিষীক ক'লে, "হে পণ্ডিত, আমি হ'লোঁ বেপাৰী। বেহা-বেপাৰৰ কামত আমি ঘূৰি ফুৰিছোঁ। বেপাৰত আমাৰ লাভ হ'বনে নহ'ব, আপোনাৰপৰা জানিবলৈ বিচাৰোঁ।

ৰজাৰ কথাৰ উত্তৰত মিহিৰ জ্যোতিষীয়ে ক'লে, "চাওক, আপোনালোকৰ দুজনৰ মাজত এজনো বেপাৰী নহয়। আপোনালোক দুয়োজনেই ক্ষত্ৰিয়। মোৰ ধাৰণা, আপোনালোকৰ মাজত এজন হ'ল ৰজা, আৰু আনজন মন্ত্ৰী।"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মিহিৰ জ্যোতিষীৰ কথা শুনি ৰজাই তৰধ মানিলে। সেই মুহূৰ্তৰে-পৰাই ৰজাই মিহিৰক ৰাজ-জ্যোতিষীৰ বাব দিলে। ৰজাৰ কোনো সতি-সন্ততি নাছিল। বহু কালৰ পাছত ৰজা এটি পুত্ৰসন্তানৰ পিতৃ হ'ল।

কিছুদিনৰ পাছত ৰাজকোঁৱৰৰ সোঁৰৰণী যুগুতোৱাৰ দায়িত্ব পৰিল ৰাজজ্যোতিষীসকলৰ ওপৰত। ডাঙৰ ডাঙৰ জ্যোতিষীসকলে বিস্তৰ গ্ৰন্থৰ হাজাৰ হাজাৰ পাত লুটিয়াই, মূৰৰ ঘাম ভৰিত পেলাই, ৰাজকোঁৱৰৰ সোঁৰৰণী যুগুত কৰি ৰজাক দিলে। সেই সোঁৰৰণীত ৰাজকোঁৱৰৰ উজ্জ্বল ভৱিষ্যতৰ কথা অতি স্পষ্টকৈ লিখা আছিল।

কিন্তু মিহিৰ জ্যোতিষীয়ে যুগুতোৱা সোঁৰৰণীত লিখা আছিল যে—বিছ বছৰ বয়সত ৰাজকোঁৱৰৰ মৃত্যু হ'ব! মিহিৰে যুগুত কৰা সোঁৰৰণীত পৰিষ্কাৰভাৱে লিখা আছিল যে ৰাজকোঁৱৰৰ যিদিনা একুৰি বছৰ হ'ব, সেইদিনা আবেলি পৰতে তেওঁৰ মৃত্যু সুনিশ্চিত।

ৰাজকোঁৱৰৰ বয়স বাঢ়ে, ৰজাৰ বাঢ়ে দুশ্চিন্তা। কোঁৱৰলৈ চালেই ৰজাৰ বুকু হমেহমায়, মিহিৰৰ সোঁৰৰণীৰ কথা মনত পৰি ৰমেৰমায়। ৰজাই জানে, মিহিৰৰ কথাৰ হেৰফেৰ নহ'ব। তথাপি ৰজাই ভাবিলে: যদিও ভাগ্যৰ লিখন খণ্ডন কৰা অসম্ভৱ, তথাপি পুত্ৰক এক কঠোৰ ঠাইত কটকটীয়া পহৰাত থৈ দিম—য'ত কোনো বিপদে পুত্ৰক চুকি নাপাব।

ৰজাই ৰাজকোঁৱৰৰ নিৰাপত্তা তথা সুৰক্ষাৰ কথা ভাবি নগৰৰ বাহিৰত সাতমহলা অট্টালিকা এটা সজালে। অট্টালিকাৰ চাৰিওফালে বিৰাট ওখ প্ৰাচীৰ। প্ৰহৰীহঁতৰ দৃষ্টি এৰাই এটা পৰুৱাও সোমাব নোৱাৰিব। এই বিৰাট অট্টালিকাটোত এজন মানুহ থাকিব পৰাকৈ বন্দৰস্ত কৰা হ'ল।

একুৰি বছৰত ভৰি দিয়াৰ আগতেই ৰজাই ৰাজকোঁৱৰক সেই অট্টালিকাত ৰাখি চৌবিছঘণ্টাৰ কাৰণে পহৰাৰ ব্যৱস্থা কৰিলে।

আৰু চাওঁতে চাওঁতে সেই বিশেষ দিনটো আহিল। ৰাজকোঁৱৰে বিছ বছৰত ভৰি দিলে। অট্টালিকাটোৰ চাৰিওফালে ৰজাৰ সৈন্য আৰু সৈন্য। এটা মাখিও সোমাব নোৱাৰিব।

দুটা বাজিল। ৰাজকোঁৱৰৰ খবৰা-খবৰ পোন্ধ মিনিটৰ বাদে বাদে জনাৰ তথা জনোৱাৰ ব্যৱস্থা আছিল। চাওঁতে চাওঁতে তিনি বাজিল। নাই, ৰাজকোঁৱৰৰ কোনো বিপদৰ সুদূৰতম লা-লক্ষণো নাই।

ৰজাৰ সহচৰসকলে পৰস্পৰৰ মাজত কোৰাকুই কৰি থাকিল যে মিহিৰ জ্যোতিষীৰ গণনাত ক'ৰবাত ভুল হ'ল নিশ্চয়। এজনে কৈ উঠিল, "মিহিৰ জ্যোতিষী যিমানেই ডাঙৰ নহওক, ভুল তেওঁৰ নিশ্চয় হ'ল আৰু এইবাৰ তেওঁৰ নাম-যহ-খ্যাতিও পানী হৈ গ'ল।"

কথাষাৰ মিহিৰৰ কাণতো পৰিল। মিহিৰে দৃঢ়তাৰে ক'লে, "সোঁৱৰণীত লিখা মোৰ কথাখিনি আখৰে আখৰে সঁচা।"

মিহিৰৰ কথা নৌশেষ হওঁতেই এজন প্ৰহৰীয়ে ৰজাক ক'লেহি যে ৰাজকোঁৱৰ পাঁচমহলাত ৰংমনে ঘূৰি ফুৰিছে।

এঘণ্টামানৰ পাছত ৰাজকোঁৱৰক চাবলৈ



স্বয়ং ৰজা পাঁচমহলালৈ গৈ থাকিল। চিৰিত আন এজন প্ৰহৰীয়ে ৰজাক ক'লে যে ৰাজকোঁৱৰ অতি আনন্দিত মনেৰে অট্টালিকাটো ঘূৰি ঘূৰি চাই আছে।

এই কথা শুনি ৰজাই মিহিৰলৈ চাই কিবা ক'বলৈ মুখ মেলাৰ লগে লগেই মিহিৰে কৈ উঠিল, "মহাৰাজ, আমাৰ ৰাজকোঁৱৰ স্বৰ্গী হ'ল।"

মিহিৰৰ কথা শুনি খৰতকীয়াকৈ চিৰি বগাই পাঁচমহলালৈ গ'ল। কিন্তু তাত তেতিয়া ৰাজকোঁৱৰ নাছিল। ৰজা সাতমহলালৈকো গ'ল; কিন্তু ক'তো ৰাজকোঁৱৰৰ চিন-মোকামো নাই!

আৰু অৱশেষত দেখা গ'ল যে লোৰে নিৰ্মিত বৰাহ মূৰ্তিৰ তলত ৰাজকোঁৱৰ চেপা খাই মৰি পৰি আছে, ৰাজকোঁৱৰৰ ৰক্তাক্ত দেহ নিস্পন্দ-নিষ্প্ৰাণ! পুত্ৰক এনে অৱস্থাত দেখা পাই ৰজাই অশ্ৰু বিসৰ্জন কৰিবলৈ ধৰিলে।

কেইদিনমানৰ পাছত ৰজাই পুত্ৰৰ মৃত্যুৰ প্ৰসংগত পৰিপূৰ্ণ ৰাজসভাত ক'লে, "সেই সাতমহলা অট্টালিকাটোৰ ওপৰত আমাৰ কুলদেৱতা বিষ্ণুৰ বৰাহমূৰ্তি নিৰ্মাণৰ আদেশ ময়েই দিছিলোঁ। কাৰিকৰহঁতে অট্টালিকাৰ ছাদত লোৰে নিৰ্মিত বৰাহমূৰ্তি স্থাপন কৰিছিল। খুব সম্ভৱতঃ ৰাজকোঁৱৰে কৌতূহলৰ বশবৰ্তী হৈ বৰাহমূৰ্তিটিক টনা-আঁজোৰা কৰি থাকোঁতে মূৰ্তিটো বাগৰি পৰিছিল তাৰ দেহৰ ওপৰত। এদিন কুলদেৱতায়েই দয়া কৰি মোক পুত্ৰসন্তান এটি দিছিল, সেই-কুলদেৱতায়েই আকৌ তাক লৈ গ'ল। পিছে—ইমান দুখ-বেজাৰৰ মাজতো এই কথা স্বীকাৰ কৰিবই লাগিব যে মিহিৰ জ্যোতিষীৰ কথা বেদৰ বচনৰ দৰেই সত্য হ'ল। সেয়েহে, মই প্ৰকৃত পণ্ডিত মিহিৰ জ্যোতিষীক 'বৰাহ-মিহিৰ' উপাধিৰে ভূষিত কৰিছোঁ।"



আমাৰ পশু-পক্ষী


ৰং সলোৱা মাছ
ফাইল ফিশ্ নামৰ এবিধ মাছ আছে। যেতিয়াই কিবা বিপদৰ আশংকা দেখা দিয়ে তেতিয়াই এইবিধ মাছে যেনেকুৱা পৰিবেশত থাকে তেতিয়া তেনেকুৱাকৈ দেহৰ ৰং সলায়। সাগৰতলীৰ শেলুৱৈ আৰু অন্য লতা-পাতৰ লগত এই মাছ এনেকৈ ৰং মিলাই থাকে যে শত্ৰুইতে গমকে নোপোৱা হয়।

যি চৰায়ে মাটিৰে ঘৰ সাজে
দক্ষিণ আমেৰিকা আৰু মধ্য আমেৰিকাত অ'ভেন বাৰ্ড নামৰ চৰায়ে এঠালতীয়া মাটিৰে বাহ সাজে। এই মাটি তথা বাহ ৰ'দত শুকাই ঘৰৰ দৰেই টান হৈ উঠে।

গছোৱা-বেং
পৃথিৱীত প্ৰায় বিধৰ ভেকুলীয়ে গছত উঠিব পাৰে। ইহঁতৰ আঙুলিয়াবোৰ ,অলপ বৰশী-আঁকোৰা বা বেঁকাবিধৰ হোৱাত যিকোনো গছৰ ডালপাত ধৰি বগাই উঠাত টান নাপায়।

A BRIGHT NEW TRADITION IS BUILT
by
THE READERS OF

THE HERITAGE

The span of one and half years is not a long time yet given will and goodwill, enough of a *time* to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE



* THE HERITAGE reveals the fourth dimension of life to you—through series like *"The Other Experience"* and "Fables and Fantasies for Adults".
* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, *novels* and poems.
* THE HERITAGE features pictorial articles on places and monuments delving into their *roots*.
* THE HERITAGE takes you to a tour of the *Little-Known India*.

THE HERITAGE
It's worth preserving. Every issue of it.

FEATURES AND FICTION FOR TODAY AND TOMORROW

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ ডিচেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ অকুট'বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নাই ভিন-পৰ

দ্বিতীয় ফটো : বন্দী মৰমৰ

পুৰস্কাৰ পাওঁতা : কল্যাণজ্যোতি পাটোৱাৰী, শ্বিলং বিদ্যালয়, বিষ্ণুপুৰ, মেঘালয়।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙনি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

OR

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চাৰ্ফ কিনাটো আৰু বেছি বুদ্ধিমানৰ কাম!
"বিশ্বাস কৰক, সঁচাকৈ চাৰ্ফ কিনাৰ দৰে বুদ্ধিমানৰ কাম আন একো নাই। ইয়াৰ পাৱাৰ পেক্‌ড ফৰ্মুলেশ্যনে আপোনাৰ ধনৰ উচিৎ মূল্য দিয়ে।"
উচিৎ মূল্য দিয়ে? অথচ যাইকৈ চাৰ্ফৰ দামেইতো ভালেখিনি বেছি?
"বোলো ডাঙৰীয়া, আপুনি দেখা নাইনে ইয়াৰ পৰা আপুনি কিমান বেছি লাভবান হব পাৰে? একমাত্ৰ চাৰ্ফে সবাতোকৈ বগাকৈ ধোৱে আৰু কাপোৰ ৰাগেও নিৰাপদে। আৰু সেয়ে কাপোৰ দেখাত সদায় নতুন যেন লাগে। তাৰ ফলত আপোনাৰ বাহিও হয় ভালেখিনি আৰু ধনৰ উচিৎ মূল্য দিয়ে বুলি কওঁতে মই ইয়াৰ কথাকে বুজাইছো।"
মানি ললো ললিতা আইদেউ, কিন্তু সেয়াই আনো যথেষ্ট?
"আৰু আছে! প্ৰতি ১/২ কিলো চাৰ্ফ পাউদাৰ অন্যান্য সাধাৰণ পাউদাৰৰ ১ কিলোৰ সমান। তাৰ অৰ্থ, অন্যান্য সাধাৰণ ১ কিলো পাউদাৰে যিমানখিনি কাপোৰ ধুব, ইয়াৰ আধা কিলোৰেই সেইখিনি ধুব পাৰি। গতিকে চাৰ্ফৰ পৰা কিমান যে বেছি লাভ, সেয়াতো আপুনি দেখিলেই।"
১ কিলো সাধাৰণ পাউদাৰ
১/২ কিলো চাৰ্ফ
ইয়াৰ মানে হ'ল চাৰ্ফ'এ নিজস্ব উপায়ে আপোনাৰ ধন উঠাই দিয়ে...
"...আৰু আপুনি লাভবান হয় নানান ফালৰ পৰা। এবিধ সাধাৰণ পাউদাৰ কিনা আৰু এবিধ উচ্চ গুণৰ পাউদাৰ কিনাৰ মাজত পাৰ্থক্য বহুত। সেয়েতো মই কওঁ, চাৰ্ফ কিনাটো সদায়েই বুদ্ধিমানৰ কাম।"
POWER PACKED
Surf
হিন্দুস্থান

চকোলেটৰ মজা ভৰা সকলোৰে মন হৰা!
nutrine
Chocolate Eclairs
more milk
more butter
more chocolate
কেৰামেল খোলাৰে ঢকা,
মাজত চকোলেট
চুইটে প্ৰতি, দুগুণ তৃপ্তি
nutrine
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চুইট
নিউট্ৰিন কনফেকশানেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ. প্ৰ.



Gautam Goswami 10.10.86